সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৪ সংখ্যা, ৪ ভাদ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 34 Date Of Publication -21 August 2022 Rs.10.00/-

## ৰাজ্যত চতুৰ্থ বৰ্গৰ পৰীক্ষা অনুষ্ঠিত



ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে দিছপুৰ দখলৰ পাছতে ৰ লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। আনুষ্ঠানিকভাৱে আন এক বৃহৎ নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। ৰাজ্যত প্ৰায় ৩০ হাজাৰ পদৰ বাবে প্ৰকাশ কৰা বিজ্ঞাপনৰ আজি প্ৰথমটো নিযুক্তি পৰীক্ষা অনুষ্ঠিত হয়। স্বচ্ছ আৰু নিকাভাৱে চতুৰ্থবৰ্গৰ লিখিত পৰীক্ষা ৰাজ্যৰ ১, ০৩৬টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হয়। পুৱা ১০ বজাৰ পৰা বিয়লি ৰচবজালৈ আৰু বিয়লি ২ বজাৰ পৰা ৪ বজালৈ দুটা ভাগত এই পৰীক্ষাসমূহ অনুষ্ঠিত হয়। পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱাকে ধৰি যিকোনো ধৰণৰ খেলিমেলি প্ৰতিৰোধ কৰাৰ বাবে কটকটীয়া নিৰাপত্তাৰ মাজেৰে চতুৰ্থবৰ্গৰ লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হয়। পুৱাৰে পৰা পৰীক্ষা কেন্দ্ৰসমূহত শাৰী পাতি প্ৰৱেশ কৰা পৰিলক্ষিত হয়। পৰীক্ষাৰ্থীসকলক প্ৰতিটো কেন্দ্ৰত নিয়োজিত কৰা আৰক্ষী আৰু প্ৰশাসনৰ লোকে তন্ন তন্নকৈ পৰীক্ষা কৰি পৰীক্ষাগৃহত প্ৰৱেশৰ অনুমতি দিয়ে। চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি ইলেক্ট্ৰনিক সামগ্ৰী, ম'বাইল ফোন, স্মাৰ্ট ঘড়ী, হেলথ বেণ্ডছ, ইলেক্ট্ৰনিক পেন, স্কেনাৰ, ব্লু টুথ ডিভাইচ, হেড ফোন, মাইক্ৰো ফোন, ষ্ট'ৰেছ মিডিয়া ডিভাইচ, উকা অথবা লিখিত কাগজ আদি যাতে পৰীক্ষাগৃহলৈ কোনো পৰীক্ষাৰ্থীয়ে লৈ যাব নোৱাৰে, তাৰ বাবে সুৰক্ষা কৰ্মীসকলে তন্ন তন্নকৈ পৰীক্ষা কৰে। এই পৰীক্ষাৰ পাছতহে পৰীক্ষাৰ্থীসকলক পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ অনুমতি দিয়া হয়। বিভিন্ন সময়ত পৰীক্ষাৰ পূৰ্বে অথবা চলি থকাৰ সময়তে প্ৰশ্নকাকত হোৱাছট এপযোগে ফাদিল হোৱাৰ ঘটনা ৰোধ কৰাৰ বাবে এইবাৰ পৰীক্ষা অনুষ্ঠিত হোৱা জিলাসমূহত ইন্টাৰনেট সেৱা কৰ্তন কৰা হয়। পুৱা আৰু বিয়লিৰ ভাগত অনুষ্ঠিত হোৱা পৰীক্ষাৰ সময়ত ইন্টাৰনেট সেৱা কৰ্তন কৰা হয়। মুঠ ৪ ঘণ্টাৰ বাবে ইন্টাৰনেট সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে। তদুপৰি খাম খেয়ালি ৰোধ কৰাৰ বাবে পৰীক্ষাৰ্থী, প্ৰতিলিপিকাৰ বা পৰীক্ষা সংক্ৰান্তীয় কাৰ্যত নিয়োজিত ব্যক্তিৰ বাহিৰে পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধত মানুহৰ সমাগম ৰোধত নিষেধাজ্ঞা আৰোপ কৰা হয়। ভাৰতীয় দণ্ডবিধিৰ ১৪৪ ধাৰা জাৰি কৰি এই সমাগমত নিষেধাজ্ঞা আৰোপ কৰা হয়। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ ৰাজনৈতিক (এ) বিভাগে দুদিন পূৰ্বে গুৱাহাটী আৰক্ষী আয়ুক্তৰ লগতে ২৫খন জিলাৰ উপায়ুক্তলৈ

( তিনিপৃষ্ঠাত চাওক)

## মহানগৰীৰ ভঙাগড়ত ভয়ংকৰ অগ্নিকাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰৰত সংঘটিত হয় এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা। ভঙাগড়ৰ উৰণীয়া সেতুৰ তলত সংঘটিত হয় এই অগ্নিকাণ্ড। জানিব পৰা মতে, এখন ৰেস্তোৰাঁৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডত বিস্ফোৰণ ঘটে ৰেস্তোৰাঁত থকা চিলিণ্ডাৰ। ফলত আন দুখন ব্যৱসায়ীক প্ৰতিষ্ঠানলৈ জুই সম্প্ৰসাৰিত হয়। অগ্নিকাণ্ডটোৰ পিছতে সমগ্ৰ অঞ্চলজুৰি ধোঁৱাৰে আৱৰি ধৰে। ঘটনাস্থলীত অগ্নি নিৰ্বাপক বাহিনীৰ লোকে অগ্নি নিৰ্বাপনৰ চেষ্টা কৰি আছে। বৰ্তমানলৈকে কোনো লোক হতাহতৰ খবৰ পোৱা নাই।

## আছু, সাহিত্য সভাক মুখ্যমন্ত্ৰীৰ তুলাধূনা



ৰঙিলী বাৰ্ত্তাসেৱা- চৰকাৰী বিদ্যালয়ৰ মাধ্যম সন্দৰ্ভত মুখ খুলিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ।ইংৰাজী মাধ্যমক লৈ প্ৰশ্ন কৰা সকলক মুখ্যমন্ত্ৰীৰ তুলাধূনা। ইংৰাজী মাধ্যমক লৈ প্ৰশ্ন কৰা সকলক মুখ্যমন্ত্ৰীৰ তুলাধূনা। চৰকাৰী বিদ্যালয়ৰ মাধ্যম বিতৰ্কক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত সাংবাদিকৰ আগত কয় যে, "আছুক সুধি মই সিদ্ধান্ত নলওঁ। আমাক ভোট দিয়া ৰাইজৰ কথা ভাবিহে সিদ্ধান্ত গ্ৰহণ কৰিছো। চৰকাৰক সমালোচনা কৰাসকল বিদ্যালয়লৈ নাযায়। আমি শিক্ষক বা শিক্ষাৰ্থীৰ কথাহে শুনিম। আছুক সন্তুষ্ট কৰি যদি চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব লগা হয়, তেতিয়া মই আছুৰ অফিচত গৈ বহি থকাই ভাল হ'ব। ছাত্ৰৰ জীৱনৰ কথা কোৱা নেতাৰ বয়স কিমান? কোনোবা অবিবাহিত হৈ আছে সেইটো বেলেগ কথা। তেওঁলোকৰ দাদা, ভায়েকৰ সন্তান ক'ত পঢ়ে? মোৰ ল'ৰাও পঢ়ে ইংৰাজী মাধ্যমত। সাহিত্য সভাৰ সভাপতিৰ সন্তানক ক'ত পঢ়ুৱাইছে? বিবৃতি দিয়া কুল শইকীয়াৰ পুত্ৰ পঢ়িছিল ইংৰাজী মাধ্যমত। এনে বিতৰ্ক কৰি দুখীয়াৰ মানুহৰ ওপৰত অত্যাচাৰ কৰিব নাপায়। টি আৰ পিৰ কাৰণে দুখীয়া মানুহৰ জীৱনক লৈ খেলিব নালাগে। নিজৰ লৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়ুৱাই ৰিক্সা চালক, ঠেলা চালকৰ সন্তানক অত্যাচাৰ নকৰিব।

## অৰুণোদয় মাহৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয় মাহৰ শুভাৰম্ভ কৰিলে। অৰুণোদয় মাহ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "অৰুণোদয় হ'ল অসমৰ আটাইতকৈ ডাঙৰ আঁচনি। আৰম্ভণিতে হিতাধিকাৰীয়ে পাইছিল ৮৩০ টকা। আৰম্ভণিতে ২০ লাখ হিতাধিকাৰীয়ে পাইছিল ধন। পৰৱৰ্তী সময়ত ৮৩০ টকাৰ পৰা বৃদ্ধিহৈ ১০০০ টকা হৈছিল। এইবাৰৰ পৰা ১০০০ টকাৰ পৰা বৃদ্ধি হৈ ১২৫০ টকা হ'ব। ২৫০ টকা বিদ্যুতৰ মাচুল হিচাপত দিব। আৰু ৬ লাখ নতুন হিতাধিকাৰীয়ে পাব অৰুণোদয়ৰ ধন।" উল্লেখযোগ্য যে, অৰুণোদয়ৰ হিতাধিকাৰীৰ লিষ্ট পৰীক্ষা কৰিব চৰকাৰে। ৰাজ্য চৰকাৰে গঠন কৰি দিয়া এটা বিশেষ দলে তন্ন তন্নকৈ পৰীক্ষা কৰিব হিতাধিকাৰীৰ সকলো নথিপত্ৰ তথা আঁচনিৰ অৰ্হতাৰ প্ৰমাণ পত্ৰ। পূৰ্বৰ হিতাধিকাৰীৰ বহু লোকৰ পৰোলোকপ্ৰাপ্তি হৈছে, বহুতে চাকৰি লাভ কৰিছে, বহুতে স্বেচ্ছাই এৰিব বিচাৰিছে। ভুৱা তথ্য সংযোগ কৰি হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত কৰা যিকোনো হিতাধিকাৰীৰ কৰ্তন হ'ব নাম। একেসময়তে যোগ্য হিতাধিকাৰীৰ গৃহত লগোৱা হ'ব অৰুণোদয়ৰ লগ'। অৰুণোদয় আঁচনিত বহু ধনী পৰিয়ালৰ নাম অন্তৰ্ভুক্ত হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। যাৰ বাবে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ পৰীক্ষণ আৰু পুনৰীক্ষণৰ ব্যৱস্থা কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই। এতিয়াৰ পৰা ঘৰত ফ্ৰীজ, চাৰিচকীয়া বাহন আদি থকা পৰিয়ালে নাপাব অৰুণোদয় আঁচনি।

৪ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 21 August, 2022

# আৰ এছ এছৰ পূৰ্বোত্তৰ ক্ষেত্ৰৰ ক্ষেত্ৰ প্ৰচাৰকৰ উপস্থিতিত ধুবুৰীত কেশৱ সেৱা সমিতিৰ বহুমুখী প্ৰকল্প ভৱন উদ্বোধন

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ চমুকৈ আৰ এছ এছৰ পূৰ্বোত্তৰ ক্ষেত্ৰৰ ক্ষেত্ৰ প্ৰচাৰক উল্লাসজী কূলকাৰ্নিৰ উপস্থিতিত ১৭ আগষ্টত ধুবুৰীত অসম চৰকাৰৰ আনটাইড ফাণ্ডেৰে নিৰ্মাণ কৰা কেশৱ সেৱা সমিতিৰ এটা বহুমুখী প্ৰকল্প ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলাখনৰ উপায়ুক্ত অম্বামুথন এম পিয়ে। চহৰখনৰ ২ নং ৱাৰ্ডত নৱনিৰ্মিত এই বহুমুখী প্ৰকল্প ভৱনৰ উদ্বোধন কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন সভাও অনুষ্ঠিত হয়। কেশৱ সেৱা সমিতিৰ সভাপতি তথা ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° দ্বীপেন অধিকাৰীৰ সভাপতিত্বত হোৱা সেই সভাখনত মুখ্য বক্তাৰূপে উল্লাসজী কূলকাৰ্নিয়ে দিয়া নিজৰ চমু ভাষণত এই বহুমুখী প্ৰকল্পৰ যোগেদি জিলাখনৰ দৰিদ্ৰ পৰিয়ালৰ নিৱনুৱা যুৱক-যুৱতীসকলে কৌশল বিকাশৰ যোগেদি স্বাৱলম্বনৰ বাট মোকলাবলৈ সক্ষম হব বুলি আশা প্ৰকাশ কৰে। ভাৰত মাতা পূজন আৰু বহুমুখী প্ৰকল্প ভৱনৰ



স্থানডোখৰ কেশৱ সেৱা সমিতিক দানৰূপে দিয়া প্ৰয়াত মায়াৰাণী দাসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছত এই সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে বিশিষ্ট সমাজসেৱক তথা কেশৱ সেৱা সমিতিৰ মুখ্য উপদেষ্টা পৰিতোষ ঘোষে। সভাখনত নিজৰ ভাষণত জিলা উপায়ুক্ত অম্বামুথনে বহুমুখী প্ৰকল্পৰ এই ভৱনটো জিলাখনৰ বাবে এক গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰে আৰু নিবনুৱা সকলে ৰাজমিস্ত্ৰী, পাইপ মিস্ত্ৰী, জ্বালাইকৰণ, মোবাইল মেৰামতি আদি বিভিন্ন বিষয়ৰ ওপৰত প্ৰশিক্ষণ লৈ স্ব-নিয়োজনৰ বাট মোকাবলৈ সক্ষম হব বুলি কয়। উল্লেখ্য যে সভাত ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজিৎ গুৰাৱেও চমু মনোগ্ৰাহী ভাষণ ৰাখে। কেশৱ সেৱা সমিতিৰ এই বহুমুখী প্ৰকল্প ভৱনটো অতি সুন্দৰ আৰু মনোগ্ৰাহী ৰূপত নিৰ্মাণ কৰি উলিওৱাৰ বাবে বিশিষ্ট নিৰ্মাণ বি কে জৈনক সমিতিৰ সভাপতি ড° দ্বীপেন অধিকাৰীয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ উপৰিও কেশৱ সেৱা সমিতিৰ কোষাধ্যক্ষ অমৰ দীপ ভাৰ্মাৰ শলাগৰ শৰাইৰ পিছত কল্যাণ মন্ত্ৰ পাঠেৰে সভাৰ সামৰণি পৰে। ইফালে এই কাৰ্যসূচীত ধুবুৰীৰ উন্নয়ন আয়ুক্ত কান্তা দাস, ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ড° দেৱময় সান্ন্যাল, বিশিষ্ট সমাজকৰ্মী দিলীপ অৰ্জেল, কেশৱ সেৱা সমিতিৰ উপদেষ্টা শতদল শতদল কুণ্ডুকে ধৰি ভৱনটোৰ নিৰ্মাতা বি কে জৈন প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তিয়ে উপস্থিত থাকে। আনহাতে সভাত বিশিষ্ট স্বাধীনতা সংগ্ৰামী তথা জিলাখনৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰথম গৰাকী প্ৰচাৰক ১৪ বছৰীয়া পৰেশ চন্দ্ৰ দাসক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। লগতে বহুমুখী প্ৰকল্প ভৱন নিৰ্মাণৰ সৈতে জড়িত তত্বাৱধায়ক দেৱজিৎ দাস গুপ্ত, হেড ৰাজমিস্ত্ৰী, মিস্ত্ৰীক সমিতিয়ে সম্বৰ্ধনা জনায়।

# কেৰেলাত দুৰ্ঘটণাত পতিত হৈ নগাঁৱৰ যুৱকৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- কেৰেলাত দুৰ্ঘটণাত পতিত হৈ নগাঁৱৰ কচুৱাৰ যুৱকৰ মৃত্যু। মৃতদেহ ঘৰ পোৱা লগে লগে অঞ্চলজুৰি শোঁকৰ ছাঁ পৰে। যুৱক জন কচুৱাৰ চানখোলাৰ নুৰ আলম (৩৫)। কৰ্মসূত্ৰে তিনিমাহৰ আগতে কেৰেলাত গৈছিল নুৰ আলমে। যোৱা শুক্ৰবাৰে নুৰ আলমে বজাৰ কৰিব যোৱাৰ অৱস্থাত গাড়ীৰ খুন্দাত গুৰুতৰ ভাৱে আহত হোৱাৰ পিছত



চিকিৎসালয়ত মৃত্যু হয় নুৰ আলমৰ। বিবাহিত নুৰ আলমৰ মৃতদেহ ঘৰ পোৱাৰ পিছতেই অঞ্চলজুৰি শোঁকৰ ছাঁ পৰিছে।

# কচুৱাৰ থানাৰ কাষতে চলিছে জুৱাৰ আড্ডা

ৰঙিলী বাৰ্ত্তাসেৱা- কচুৱাৰ থানাৰ কাষতে চলিছে জুৱাৰ আড্ডা। গোপন কেমেৰাত সংগ্ৰহ কৰা ভিডিঅ ভাইৰেল। সাংবাদিকক দেখি পলাই যায় জুৱাৰীয়ে। আগে আগে জুৱাৰী পাছে পাছে খেদিছে সাংবাদিকে সন্ধ্যাৰ ভাগত কচুৱা থানাৰ কাষতে এটা জুৱা আড্ডা চলি থকাৰ সময়তে সাংবাদিকক দেখি পথাৰৰ বোকাৰ মাজৰে পলাই যায় জুৱাৰী দলটোৱে। উল্লেখ্য যে দীৰ্ঘদিন ধৰিঅভিযোগ মতে চাহাজাহান আৰু ছাদ্দাম হুছেইন নামৰ দুজন লোকৰ নেতৃত্বত চলে এই জুৱাৰ আড্ডাটো। লোক দুজন



ঘৰ কান্দা পাৰা গাঁৱৰ বুলি জানিব পৰা গৈছে।কচুৱাৰ থানাৰ কাষতে চলি আহিছে জুৱাৰ আড্ডা। গোপন কেমেৰাত সংগ্ৰহ কৰা ভিডিঅ ভাইৰেল হৈছিল সামাজিক মাধ্যমত। ইয়াৰ পিছতে জুৱাৰ আড্ডাত বাতৰি সংগ্ৰহৰ বাবে উপস্থিত সাংবাদিক তাৰ পাছত পৰিস্থিতি এইয়া।

# কলিতা সম্প্ৰদায়ৰ কন্যাৰে বিবাহপাশত ব্ৰাহ্মণ যুৱকৰ পৰিয়ালক এঘৰীয়া কৰিলে ব্ৰাহ্মণ সমাজে

ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলাৰ মংগলদৈ কাণ্ডৰ চাঞ্চল্য মাৰ নৌযাওঁতেই ইয়াৰ পশ্চিম সীমান্তৰ কামৰূপ জিলাত সম্প্ৰদায়, জাতি-ভেদকলৈ সংঘটিত হ'ল আন এক আজৱকাণ্ড। ৰাজ্যত নিৰৱচ্ছিন্নভাৱে অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ বিৰুদ্ধে ৰজাঘৰ-প্ৰজাঘৰ সকলোৱে মনমোহা কথা-বতৰা, বক্তৃতা আদিৰ ফুলজাৰী মাৰি অহাৰ পিছতো আজি বহুতকে হতবাক আৰু হতচকিত কৰি তোলা কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ মানৱ সমাজত এক বিৰাট ব্যতিক্ৰমী অঘটন সংঘটিত হ'ল। যি ঘটনাক লৈ এতিয়া বাইহাটা চাৰিআলি অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ উৰ্ধত নে বুলিও বহুজনকে দেহ-মন জোকাৰি তোলা আৰু বিবেক দংশন কৰা প্ৰসংগৰো উত্থাপন



হৈছে । এই সন্দৰ্ভত প্ৰাপ্ত খবৰ অনুসৰি মান্ধাতা যুগৰ পৰা প্ৰচলিত অসৱৰ্ণ বিবাহৰ বাবে শেহতীয়াকৈ এখন সমাজে আগডলা গাঁৱৰ এটি ব্ৰাহ্মণ পৰিয়ালক এঘৰীয়া কৰাক কেন্দ্ৰ কৰিয়েই বাইহাটা চাৰিআলিত সৃষ্টি হৈছে তীব্ৰ বিৰূপ প্ৰতিক্ৰিয়াৰ। প্ৰাপ্ত খবৰ আৰু অভিযোগানুসৰি, বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত আগডলা গাঁৱৰ এটি ব্ৰাহ্মণ পৰিয়ালৰ লোহিত চনদৰ শৰ্মাৰ কণিষ্ঠ পুত্ৰ তপন শৰ্মা আৰু একেখন থানাৰ অন্তৰ্গত মাজগাঁৱৰ কলিতা সম্প্ৰদায়ৰ এটি পৰিয়ালৰ এগৰাকী কন্যা ৩ মাহমান পূৰ্বে আইনগতভাৱে বিবাহপাশত আৱদ্ধ হয়। পিছত এই বিষয়ে জনাজাত হোৱাত গাঁওখনৰ ব্ৰাহ্মণ পৰিয়াল সমূহ এক আলোচনাত মিলিত হয়। এই আলোচনাৰ ভিত্তিত আলোচনাত মিলিত সমাজখনে ব্ৰাহ্মণ পৰিয়ালৰ সদস্য

( পাঁচ পৃষ্ঠাত চাওক)

# বৰচলা গাঁও পঞ্চায়তত ব্যাপক দুৰ্নীতিৰ অভিযোগ, চাৰি জনীয়া তদাৰক দলৰ দুদিনীয়া তদন্ত



ৰঙিলী বাৰ্ত্তাসেৱা - ADC ৰঞ্জিত গোস্বামীৰ নেতৃত্বত চাৰিজনীয়া এটা তদন্তকাৰী দলে দুদিনীয়া তদন্তৰে বৰচলা গাঁও পঞ্চায়তত প্ৰতিটো ৱাৰ্ডত চৰকাৰী আবাস গৃহ সমূহৰ তদন্ত কৰে। ৰাইজৰ অভিযোগত চৰজমিন তদন্ত কৰিবলৈ বৰচলা গাঁও পঞ্চায়তত উপস্থিত হৈছিল তদন্তকাৰী দলটি। উল্লেখ যে বৰচলা গাঁও পঞ্চায়তৰ সভাপতি সহ, বহু কেইগৰাকী ৱাৰ্ড সদস্যৰ লগতে পঞ্চায়ত সচিব আৰু প্ৰায় সংখ্যক পঞ্চায়ত কৰ্মছাৰী লোক এই বৃহৎ কেলেংকাৰীত জড়িত থকাৰ অভিযোগ উত্থাপন কৰিছে বৰচলাৰ ৰাইজে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তৰ পৰা অহা চাৰিজনীয়া তদাৰক দলটিৰ তদন্তত বৰচলা গাঁও পঞ্চায়তত ওলোৱা দুৰ্নীতিৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা লব সেয়া হব লক্ষণীয়।

৪ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 21 August, 2022

# তিনিদিনীয়া চৰকাৰী ভ্ৰমণ কাৰ্যসূচীৰে ইৰাণ আৰু ইউ.এ.ই.-লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ইৰাণ আৰু ইউ.এ.ই.-লৈ ধাৱমান হৈছে। এই ভ্ৰমণকালত সোণোৱালে ইৰাণৰ চাবাহাৰৰ শ্বহীদ বেহেস্তী বন্দৰ আৰু ইউ.এ.ই.-ৰ জেবেল আলী বন্দৰ মুখ্যতঃ পৰিদৰ্শন কৰিব। চাবাহাৰ বন্দৰ হৈছে ভাৰতৰ প্ৰথম বিদেশী বন্দৰ প্ৰকল্প। চাবাহাৰ বন্দৰ প্ৰকল্পৰ বিকাশৰ সৈতে ভাৰতৰ সন্মান আৰু বাণিজ্যৰ বহু গুৰুত্বপূৰ্ণ দিশ জড়িত হৈ আছে। ক'ভিড-১৯ মহামাৰীৰ ফলত ভাৰত আৰু ইৰাণৰ মাজত কম সংখ্যক পাৰস্পৰিক ভ্ৰমণ অনুষ্ঠিত হৈছিল। সেয়েহে ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী পৰ্যায়ৰ এই গুৰুত্বপূৰ্ণ ভ্ৰমণে দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক আৰু সামুদ্ৰিক সম্পৰ্কক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে ইউৰোপ, ৰাছিয়া আৰু চি.আই.এছ. দেশসমূহৰ সৈতে ভাৰতৰ বাণিজ্য বৃদ্ধি কৰাৰ



ক্ষেত্ৰত প্ৰৱেশদ্বাৰ হিচাপে চাবাহাৰৰ গুৰুত্বক ত্বৰান্বিত কৰিব। সৰ্বানন্দ সোণোৱালে ইৰাণ চৰকাৰৰ পথ আৰু নগৰ উন্নয়ন আৰু স্বাস্থ্য আৰু চিকিৎসা শিক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত ভাৰত চৰকাৰ আৰু ইৰাণ চৰকাৰৰ মাজত সীমাহীন ভ্ৰমণত নাবিকৰ দক্ষতাৰ প্ৰমাণপত্ৰৰ পাৰস্পৰিক স্বীকৃতি সম্পৰ্কীয় বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। তদুপৰি, এই ভ্ৰমণকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেহেৰানস্থিত চি.আই.এছ. দেশসমূহৰ ৰাষ্ট্ৰদূতসকলক সাক্ষাৎ কৰিব। সোণোৱালে ইউ.এ.ই.-ৰ জেবেল আলী বন্দৰো ভ্ৰমণ কৰিব আৰু এই ভ্ৰমণকালত প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও বৈঠকত মিলিত হ'ব। ইউ.এ.ই.-ত জাহাজ তথা মালবাহী কোম্পানীৰ মুৰব্বীসকলৰ সৈতে ঘূৰণীয়া মেজমেলতো তেওঁ অংশগ্ৰহণ কৰিব। ভাৰত চৰকাৰৰ এগৰাকী আগশাৰীৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই ভ্ৰমণ কাৰ্যসূচী মধ্য এছিয়াৰ দেশৰ সৈতে ভাৰতৰ পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ দিশত অতি গুৰুত্বপূৰ্ণ আৰু সময়োচিত বুলি বিবেচিত হৈছে।

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° ধ্ৰুৱজ্যোতি চৌধুৰীক নিলম্বন


ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° ধ্ৰুৱজ্যোতি চৌধুৰীক নিলম্বন কৰা হৈছে। বিশ্ববিদ্যালয়ৰ অনুশাসন কৰ্তৃপক্ষই এক নিৰ্দেশনাৰ জৰিয়তে এই নিলম্বনৰ কথা প্ৰকাশ কৰিছে। ২০২২ বৰ্ষৰ স্নাতক পৰ্যায়ৰ পৰীক্ষাৰ ফলাফল পলম হোৱাৰ বাবেই নিয়ন্ত্ৰকগৰাকী এই শাস্তিৰ সন্মুখীন হোৱা বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। উপ-পৰীক্ষা নিয়ন্ত্ৰক ড°




দেৱহৰি তালুকদাৰক গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন পৰীক্ষা নিয়ন্ত্ৰকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে, স্নাতক পৰ্যায়ৰ পৰীক্ষাৰ ফলাফল পলম হোৱাক কেন্দ্ৰ কৰি সৃষ্টি হৈছিল প্ৰতিক্ৰিয়া। পৰীক্ষা নিয়ন্ত্ৰক ড° ধ্ৰুৱজ্যোতি চৌধুৰীৰ বিৰুদ্ধে চলিছিল বিশ্ববিদ্যালয়ৰ অনুশাসনমূলক প্ৰক্ৰিয়া।

# পুনৰ বৃদ্ধি হ'ল আমূল গাখীৰৰ দাম

ৰঙিলী বাৰ্তাসেৱা- পুনৰ বৃদ্ধি হ'ল আমূল গাখীৰৰ দাম। আমূল বা গুজৰাট সমবায় গাখীৰ বিপণন ফেডাৰেশ্যনে (জিচিএমএমএফ) আমূল গাখীৰৰ মূল্য ২ টকা বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ১৭ আগষ্ট অৰ্থাৎ বুধবাৰৰ পৰা আমূল গাখীৰৰ নতুন নিৰীখ কাৰ্যকৰী হ'ব। আমুল (গোল্ড) গাখীৰৰ ৫০০ মিলিৰ মূল্য এতিয়া ৩১ টকা হ'ব। আধা লিটাৰ আমুল তাজাৰ মূল্য ২৫ টকা আৰু



আমুল শক্তিৰ মূল্য প্ৰতি ৫০০ মিলিত ২৮ টকা হ'ব। গাখীৰৰ সামগ্ৰিক ব্যয় আৰু উৎপাদন বৃদ্ধিৰ বাবে এই মূল্য বৃদ্ধি কৰা হৈছে। আমুল কোম্পানীয়ে দিয়া তথ্য অনুসৰি, ইতিমধ্যে আমুল গাখীৰৰ নতুন হাৰ আহমেদাবাদ, গুজৰাট, দিল্লী, মুম্বাই আৰু পশ্চিম বংগত বৃদ্ধি পাইছে। আমুল গাখীৰৰ মূল্য বৃদ্ধি আন সকলো বজাৰত কাৰ্যকৰী হ'ব য'ত আমূলে ইয়াৰ সতেজ গাখীৰ বিপণন কৰি আছে।

# বিজেপিৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী সংস্থা কেন্দ্ৰীয় সংসদীয় বৰ্ড গঠন

ৰঙিলী বাৰ্তাসেৱা- নতুনকৈ গঠন কৰা হৈছে বিজেপিৰ কেন্দ্ৰীয় সংসদীয় সমিতি। ১১ জনীয়া বৰ্ড গঠনত অনুমোদন বিজেপিৰ অধ্যক্ষ জে পি নাড্ডাৰ। ১১ জনীয়া সমিতিখনত অন্তৰ্ভুক্ত হ'ল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নাম। বিজেপিৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী সংস্থা হিচাপে বিবেচিত সংসদীয় সমিতিত স্থান লাভ কৰিছে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই বৰ্ডত অন্তৰ্ভুক্ত হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নাম। বৰ্ডৰ অধ্যক্ষ হিচাপে থাকিব জে পি নাড্ডা। বি এল সন্তোষ বৰ্ডৰ সচিব হিচাপে নিৰ্বাচিত হৈছে। এই বৰ্ডত কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বি এছ য়েদিয়ুৰাপ্পা আৰু সৰ্বানন্দ সোণোৱালক স্থান দিয়াৰ বিপৰীতে বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় অধ্যক্ষ নীতিন গাডকাৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা তথা মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানক এই সমিতিৰ পৰা অপসাৰণ কৰা হৈছে।

# ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত আৰম্ভ হ'ল মাহজোৰা পালনাম

ৰঙিলী বাৰ্তাসেৱা- অসমীয়া সমাজ জীৱনত পবিত্ৰ মাহ হিচাপে বিবেচিত হৈ আহিছে ভাদ মাহ। এই পবিত্ৰ ভাদ মাহতেই দুয়োজনা গুৰুৰ মহাপ্ৰয়াণ ঘটিছিল। ভাদ মাহতেই উপজিছিল ভগৱান কৃষ্ণ। ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত পুৱাৰে পৰাই হৰিনামৰ ধ্বনি উঠিছে। হৰি নামৰ ৰসেৰে মুখৰিত হৈছে চৌপাশ। যোৰহাটৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰতো আৰম্ভ হ'ল মাহজোৰা পালনাম। ঢেকীয়াখোৱা বৰনামঘৰত মাহজোৰাকৈ আয়োজন কৰিছে চাৰি প্ৰসংগীয়া নাম। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ৩০ লাখ ভকত বৈষ্ণৱক আদৰিবলৈ ইতিমধ্যে সাজু হৈছে ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতি। পবিত্ৰ ভাদমাহত একপ্ৰকাৰ দ্বিতীয় বৈকুণ্ঠধামত পৰিণত হ'ব গুৰু মাধৱদেৱ প্ৰতিষ্ঠিত অন্যতম ধৰ্মীয় পীঠস্থান ঢেকীয়াখোৱা বৰনামঘৰ।

# ২১ আৰু ২৮ আগষ্টত সকলো জিলাত কৰ্তন কৰা হ'ব ইন্টাৰনেট সেৱা

ৰঙিলী বাৰ্তাসেৱা- অহা ২১, ২৮ আগষ্ট আৰু ৰৰ ছেপ্টেম্বৰত প্ৰায় ৩০ হাজাৰ পদৰ বাবে অনুষ্ঠিত হ'ব লিখিত পৰীক্ষা। প্ৰায় ১৪ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'বলগীয়া নিযুক্তি পৰীক্ষা প্ৰসংগত সকলো জিলা উপায়ুক্ত আৰু অন্যান্য বিষয়ববীয়াৰ সৈতে এক ভিডিঅ' কনফাৰেঞ্চযোগে মিলিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ৰাটছআপত প্ৰশ্নকাকত লিক নহ'বলৈ দুঘণ্টাৰ বাবে কঠোৰ হ'ব চৰকাৰ। ২১ আৰু ২৮ আগষ্টত পৰীক্ষা হোৱা সকলো জিলাত কৰ্তন কৰা হ'ব ইন্টাৰনেট সেৱা। পৰীক্ষাৰ সময়ত সম্পূৰ্ণৰূপে বন্ধ থাকিব ইন্টাৰনেট সেৱা। কোনো পৰীক্ষাৰ্থীয়ে নিব নোৱাৰিব মোবাইল ফোন। প্ৰশ্নকাকত লিক হ'লে জিলা উপায়ুক্ত দায়ী হ'ব। ২৬ হাজাৰ চাকৰিত খেলিমেলি হ'লে দায়বদ্ধ হ'ব উপায়ুক্ত। পৰীক্ষাস্থলী আৰু ইয়াৰ আশে-পাশে পৰ্যাপ্ত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হ'ব। পৰীক্ষাৰ পৱিত্ৰতা বজাই ৰখাত কোনোধৰণৰ আপোচ কৰা নহ'ব। পৰীক্ষা প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পৰা যিকোনো অসাধু শক্তিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকল সাজু থাকিব লাগিব।

# ৰাজ্যত চতুৰ্থ বৰ্গৰ

নিৰ্দেশনা জাৰি কৰিছিল। উল্লেখ্য যে প্ৰায় ৩০ হাজাৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ বাবে ৰাজ্য চৰকাৰে বিজ্ঞাপন প্ৰকাশ কৰিছিল। ইয়াৰ ভিত্তিতে অনলাইনৰ জৰিয়তে আবেদন গ্ৰহণ কৰা হৈছিল। চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে মুঠ ৫.০৮, ৮০৩ জন, তৃতীয়বৰ্গৰ পদসমূহৰ বাবে ৮, ৫২, ১৮১ জন আৰু ড্ৰাইভাৰ পদৰ বাবে ৬৯, ৪৫জনে আবেদন দাখিল কৰিছিল। আজি চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে পৰীক্ষা অনুষ্ঠিত হৈ যায় যদিও তৃতীয়বৰ্গৰ বিভিন্ন পদৰ বাবে অহা ২৮ আগষ্টত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদৰে গাড়ীচালকৰ পদসমূহৰ বাবে অহা ১১ ছেপ্টেম্বৰৰ পুৱা ১০ বজাৰ পৰা বিয়লি ১২ বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব।

# সম্প্ৰীতি, সমন্বয় আৰু একতাৰ অসমৰ দুটি চিত্ৰ আৰু কিছু চিন্তা

**ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ**



(১)

প্ৰকৃত তাৰিখ আৰু বাৰ মনত নাই যদিও এয়া ইং ১৯৯৬/৯৭ চন মানৰ কথা। দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত দুখনি গাওঁ সানোৱা আৰু ৰাজাপুখুৰীৰ ঠিক সীমাত থকা ৰাজাপুখুৰী গাৰঁৰ সুৰথ নাথ দাদাৰ চন পৰি থকা মাটি ডৰাত সানোৱা ইউনাইটেড্ ক্লাবৰ উদ্যোগত এখনি ক্ৰিকেট খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। উক্ত প্ৰতিযোগিতা খনি ঠিকে ঠিকেই আগবাঢ়ি গৈ ফাইনেল খেলৰ দিন পালে গৈ। ফাইনেল খেল খন অনুষ্ঠিত হৈছিল হাজৰিকাপাৰা ৰাইজিং ক্লাব আৰু সানোৱা ইউথ্ ক্লাবৰ মাজত। খেল খন উপভোগ কৰা মনত আছে যদিও সঠিক ভাৱে কোনটি বিজয়ী হৈছিল বিশেষ মনত নাই। খেল সমাপ্তিৰ পিছত আৰম্ভ হৈছিল ট্ৰফী বিতৰণ অনুষ্ঠানৰ। কাৰ্যসূচী অনুযায়ী সানোৱা ইউনাইটেড্ ক্লাবৰ সম্পাদক গৰাকীয়ে সভাৰ সভাপতি গৰাকীক বৰণ কৰা কাৰ্যসূচী আৰম্ভ কৰিছিল। সানোৱা ইউনাইটেড্ ক্লাবৰ তৰফৰ পৰা সভাৰ সভাপতি হিচাপে আমন্ত্ৰণ জনোৱা শিক্ষাবিদ, সমাজ সেৱক, ক্ৰীড়া সংগঠক আৰু সু অভিনেতা উপেন নাথ দাদা খেলপথাৰত উপস্থিত আছিলেই। তেখেতৰ ক্ৰিকেট খেল প্ৰতিযোগিতা অনুষ্ঠিত হোৱা খেল পথাৰ খনৰ নিচেই ওচৰতে। সম্পাদক গৰাকীয়ে সভাপতি বৰণ কৰিবলৈ গৈ ঘোষণা কৰিলে আজিৰ পুৰস্কাৰ বিতৰণ অনুষ্ঠানটিত সভাপতিত্ব কৰিবলৈ আমন্ত্ৰণ জনোৱা শ্ৰদ্ধাৰ ব্যক্তি গৰাকী আমাৰ মাজত উপস্থিত আছে। মই তেখেতক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। তেখেত হৈছে আমাৰ সকলোৰে। দ্বাৰ উপেন আলি চাহেব। খেলুৱৈ, দৰ্শক আৰু ৰাইজৰ মাজত হাঁহিৰ ৰোল উঠিল। উপেন নাথ দাদাই মুখত এমোকোৱা হাঁহি লৈ সভাপতিৰ আসনত উপবিষ্ট হৈ ক'লে "নাই, সকলো ঠিকে আছে"। এই ভুলটিৰ কাৰণ আছে। সানোৱা হৈছে এশ শতাংশ মুছলমান প্ৰধান গাঁও। লগতে উপেন নাথ দাদাৰ ঘৰ সানোৱাৰ পুব ফালে কিন্তু ৰাজাপুখুৰী গাৱঁৰ একেবাৰে পশ্চিম মুৰত। বিয়া সবাহ ইত্যাদিত সানোৱা আৰু ৰাজাপুখুৰীৰ ৰাইজৰ মাজত ভাল আহ্ যাহ্ তেতিয়াও আছিল আৰু এতিয়াও আছে। কেৱল বিয়া সবাহতেই নহয়, মৰন জীয়নৰ সকলো কাৰ্যতে দুয়োখন গাৱঁৰ ৰাইজৰ মাজত থকা অভিন্নতাই আছিল সেই ভুলৰ প্ৰধান উৎস। তাতে দুয়োখন গাৱঁৰ মাজত থকা সুত্ৰধাৰ সকলৰ অন্যতম আছিল উপেন নাথ দাদা।


(২)

স্বাধীনতাৰ অমৃত মহোৎসৱ উদ্যাপনৰ বাবে মোক ১২ আগষ্ট, ২০২২ তাৰিখ শুক্ৰবাৰে আমন্ত্ৰণ জনাইছিল দক্ষিন পশ্চিম ছিপাঝাৰ অঞ্চলৰ এখনি ঐতিহ্যমণ্ডিত গাওঁ কুৰুৱাৰে। ছিপাঝাৰ উন্নয়ণ খণ্ডৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত গঠিত হোৱা মহামিলন মণ্ডল পৰ্যায়ৰ সংগঠনটিয়ে। তেখেত সকলে এই স্বাধীনতাৰ অমৃত মহোৎসৱৰ কাৰ্যসূচীটো পশ্চিম কুৰুৱাৰ বৰনৈ গ্ৰাম্য সংগঠনৰ উদ্যোগত অনুষ্ঠিত কৰিছিল। স্থান আছিল আশ্ৰয় শিবিৰ গৃহ, পশ্চিম কুৰুৱা। গুৱাহাটী মহানগৰীৰ সৈতে কুৰুৱাৰ যোগাযোগ সুলভ হ'লেও দৰং জিলাৰ ছিপাঝাৰ বা মঙ্গলদৈৰ সৈতে কিছু দুৰ্গম। সেয়ে সময়তকৈ আগতীয়া ভাৱে নিৰ্দিষ্ট স্থানত উপনিত হোৱাৰ লক্ষ্যৰে ৰাওনা হ'লো। ইতিমধ্যে স্বাধীনতাৰ অমৃত মহোৎসৱৰ কাৰ্যসূচী মহামিলন মণ্ডল পৰ্যায়ৰ সংগঠনৰ সভানেত্ৰী ভুবনেশ্বৰী দাসৰ সভানেত্ৰীত্বত সভা আৰম্ভ হৈছিল। মহামিলন সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ হৈ কুৰুৱাত উপস্থিত হৈছিল সম্পাদিকা হাচনা আৰা বেগম আৰু কোষাধ্যক্ষা মিনাৰা বেগম। চিনাকী পৰ্ব পৰিচালনা কৰিছিল বৰনৈ গ্ৰাম্য সংগঠনৰ এগৰাকী বিষয়ববীয়াই। সকলোৰে চিনাকী ঠিকে ঠাকে হৈ গৈ মোক চিনাকী কৰি দিবলৈ গৈ পৰিচালিকাই মোৰ নামটিৰ শেষত

(আঠপৃষ্ঠাত চাওক)

# বুৰঞ্জী য়ে গৰকা দিখৌমুখত পৰ্যটনৰ সম্ভাৱনা

**আদিলুৰ ৰহমান, টুকটুকী**



মহাবাহু ব্ৰহ্মপুত্ৰ, দিখৌ, দৰিকা, মিতং নদীৰ পাৰৰ উৰ্বৰা আৰু সেউজী পথাৰৰ সমষ্টিৰে বৃহত্তৰ দিখৌমুখ অঞ্চল পৰিবেষ্টিত। যেনেদৰে এলাহাবাদৰ গংগা, যমুনা আৰু সৰস্বতী নদীৰ মিলনেৰে ত্ৰিবেণী সঙ্গম ৰ সৃষ্টি কৰিছে ঠিক তেনেদৰে ই হিমালয়ৰ পৰা চিৰপ্ৰৱাহিত মহাবাহু ব্ৰহ্মপুত্ৰ, দিখৌ আৰু দৰিকা নদীৰ মিলনেৰে দিখৌমুখকো অন্য এক ত্ৰিবেণী সঙ্গম বুলি জিলিকাই ৰাখিছে। লুইতৰ বলীয়া বান, গৰাখহনীয়া, বিভিন্ন সমস্যা ৰে জৰ্জৰিত এই বৰ্ণিল দিখৌমুখ কৃষকৰ হাতৰ পৰসত প্ৰাণ উঠা এই পথাৰৰ চাৰিওফালে শস্য শামলা ধৰণী, মহাবাহু ব্ৰহ্মপুত্ৰৰ সেই দৃশ্য নন্দন দৃশ্য, গছে-বনে জাতিষ্কাৰ সেই প্ৰাকৃতিক পৰিৱেশ ক দৃষ্টি কৰে তেনে নহয় ৰজা - প্ৰজাক সকলোকে দিখৌমুখ ত অৱস্থিত সেই বুৰঞ্জীমূলক কীৰ্ত্তিচিহ্ন ও হাত বাউল দি মাতে এই বৰ্ণিল দিখৌমুখ লৈ। আহোম ৰজাৰ ৰাজত্ব কালত দিখৌমুখ আহোম ৰজাৰ ৰাজধানীৰ প্ৰৱেশ দুৱাৰ বুলি কব পাৰি যিহেতু দিখৌ নদীয়েদি আহোম ৰজাই নাঁৱেৰে ৰাজধানী গড়গাওঁ আৰু ৰংপুৰলৈ অহা যোৱা কৰিছিল। তাৰোপৰি দিখৌমুখত প্ৰতিষ্ঠিত ৰূপহী নগৰলৈ ৰূপহীজানেৰে যাতায়তৰ সুচল হৈছিল। আহোম ৰজাৰ ৰাজত্ব কালৰ বুৰঞ্জীমূলক কীৰ্তিচিহ্নৰে শিৱসাগৰৰ লগতে দিখৌমুখতো তদনুৰূপ কীৰ্তিচিহ্ন উভয়নদী হৈ আছে।

ভাৰতবৰ্ষৰ বাদেও দেশ-বিদেশৰ পৰা বহুতো পৰ্যটক শিৱসাগৰৰ পুৰণি কীৰ্তিচিহ্ন বিলাক পৰিদৰ্শন কৰিবলৈ অহাৰ লগতে দিখৌমুখত অৱস্থিত ৰজাদিনীয়া পুখুৰী, কামখ্যাপীঠ দেৱালয় আৰু শ'ৰাগুৰি চাপৰিত অৱস্থিত আজান পীৰ দৰগাহ শ্বৰীফ পৰিভ্ৰমণ কৰা দেখা যায়। ইয়াৰোপৰি প্ৰতি ইংৰাজী নতুন বছৰৰ জানুৱাৰী মাহত বিভিন্ন স্থানৰ পৰা অহা হাজাৰ হাজাৰ লোকে দিখৌমুখৰ ব্ৰহ্মপুত্ৰৰ বালিত বনভোজ খাই নতুন বছৰটোক আনন্দ উল্লাসেৰে আদৰণী জনোৱাৰ লগতে প্ৰাচীন কীৰ্তিচিহ্ন বিলাক পৰিদৰ্শন কৰে। কিন্তু আহোম ৰজাৰ ৰাজত্ব কালৰ বুৰঞ্জীমূলক কীৰ্তিচিহ্ন ৰে ভৰপুৰ শিৱসাগৰ জিলাৰ ভিতৰুৱা অঞ্চল দিখৌমুখ ত অৱস্থিত বহু

(আঠপৃষ্ঠাত চাওক)

# অন্ততঃ



ওচৰ বুলিলে
বুকুত শিপাই যাব পৰাকৈ
চাহৰ কাপত কৰাল
বান্ধি যোৱাকৈ
কথাৰ লানি নিচিগাকৈ
আমি বুলিবলৈ
কোনোবা আছে বুলি
ভাবিব পৰাহেঁতেন ভাল।
বাটকুৰি বাই গৈ
এপৰলৈ বৈ
চকুহাল থৰ পৰালৈ
চাব পৰা হ'লেও যেন....
খোপাত আবেলি আবেলি গোন্ধেৰে
হাউলি গ'লে
দুহাত পাতি ধৰিব পৰাকৈ
কোনোবা আছে বুলি
এবাৰলৈও ভাবিব পাৰিলে।
হাউলি যাবলৈও
নভবাকৈয়ে পৰা গ'লহেঁতেন।

**উপাসনা শিৰম**
**স্নাতক প্ৰথম ষাণ্মাসিক**
**পাণ্ডু মহাবিদ্যালয়**

# কলিতা সম্প্ৰদায়ৰ


হৈয়ো কলিতা সম্প্ৰদায়ৰ যুৱতীৰে বিবাহপাশত আৱদ্ধ হোৱা কাৰ্যটোক অপৰাধ বুলি গণ্য কৰি তপন শৰ্মাৰ পৰিয়ালটোক তেওঁলোকৰ ব্ৰাহ্মণ সমাজৰ পৰা এলাগী কৰে। আনহাতে এলাগী কৰা পৰিয়ালটোৰ সদস্যৰ পৰা জানিব পৰামতে, এক নিৰ্দিষ্ট পৰিমানৰ অৰ্থদণ্ডৰ বিনিময়ত তেওঁলোকৰ পৰিয়ালটোক পুণৰ ব্ৰাহ্মণ সমাজৰ সৈতে চামিল কৰা হব। তদুপৰি পৰিয়ালটোৱে বিধি-বিধানৰ নামতো ধন ভৰিব লাগিব। কিন্তু এলাগী কৰা পৰিয়ালটো ব্ৰাহ্মণ সমাজখনৰ এই সিদ্ধান্তত বাৰুকৈয়ে দুখ-কষ্ট পোৱাৰ লগতে এই পৰিমানৰ ধন ব্যয় কৰাৰ বাবে সক্ষম নোহোৱাৰ লগতে সিদ্ধান্তটোকো মানি লব পৰা নাই। যাৰফলত পৰিয়ালটো এতিয়া চৰম হতাশাগ্ৰস্ত হৈ পৰিছে। সকলোৱে এতিয়া এই স্পৰ্শকাতৰ বিষয়টোক 'মানৱতা'ৰ দৃষ্টিভংগীৰে গ্ৰহন কৰাটোকে কামনা কৰিছে। আনহাতে, এই ঘটনাৰ প্ৰসংগক্ৰমে পোৱা আন এক খবৰ অনুসৰি, ইয়াৰ প্ৰায় ১১ বছৰ আৰ  ২ বছৰ পূৰ্বৰে পৰা ইয়াৰ আন ২ টা পৰিয়ালকো (ব্ৰাহ্মণ আৰু গণক) অনুৰূপ কাৰণত অনুৰূপ ধৰনে এঘৰীয়া কৰি ৰখা হৈছে ।

# আৰক্ষীয়ে দাবী কৰা ধন দিব নোৱাৰি সদ্য বিবাহিত যুৱকৰ আত্মহত্যা

ৰঙিলী বাৰ্তাসেৱা- পুনৰ বিতৰ্কৰ মাজত সোমাই পৰিছে অসম আৰক্ষী। খাকী পোছাকত কালিমা সানিলে আমিনগাঁও আৰক্ষীয়ে। আৰক্ষীয়ে দাবী কৰা ধন দিব নোৱাৰি এজন সদ্য বিবাহিত যুৱকে আত্মহত্যা কৰাৰ অভিযোগ উঠিছে। এই গুৰুতৰ অভিযোগ উত্থাপন হৈছে আমিনগাওঁ আৰক্ষী থানাৰ ৰহমান উপাধীৰ এজন আৰক্ষী বিষয়াৰ বিৰুদ্ধে। পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি ভূবনেশ্বৰ পাল আৰু পত্নীৰ মাজত হোৱা ঘৰুৱা কাজিয়াৰ বাবে পত্নীয়ে স্বামীৰ বিৰুদ্ধে আমিনগাঁও আৰক্ষী চকীত



অভিযোগ দাখিল কৰিছিল। কিন্তু স্বামী-স্ত্ৰীৰ ঘৰুৱা কাজিয়া মীমাংসাৰ বিনিময়ত আৰক্ষী বিষয়াই দাবী কৰিছিল ৪০ হাজাৰ টকা। আমিনগাঁও আৰক্ষী চকীৰ ৰহমান উপাধিৰ এজন আৰক্ষীয়ে পৰিয়ালটোক ধন দাবী কৰাৰ অভিযোগ উঠিছে। ভুবনেশ্বৰ পাল নামৰ যুৱকজনক চল্লিশ হাজাৰ টকা দাবী কৰাৰ পিছতে হতাশগ্ৰস্ত হৈ যুৱকজনে এই চৰম সিদ্ধান্ত গ্ৰহণ কৰাৰ অভিযোগ কৰিছে যুৱকজনৰ পৰিয়ালৰ লোকে। উল্লেখযোগ্য যে, যি সময়ত দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণৰ কথা কোৱা হৈছে সেই সময়তেই আৰক্ষীয়ে দাবী কৰা ধন দিব নোৱাৰি এজন যুৱকে আত্মহত্যাৰ দৰে ঘটনা সংঘটিত কৰাৰ ঘটনাত আমিনগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।



# গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাক জন্মদিৱসত সশ্ৰদ্ধ সোঁৱৰণ

**পাপৰি শইকীয়াবৰা, গোলাঘাট**



অসমীয়া আধুনিক কাব্য-সাহিত্যৰ বুৰঞ্জীত এটা চিৰউজ্জ্বল নাম -পাৰ্বতীপ্ৰসাদ বৰুৱা । ১৯০৪ চনৰ ১৯ আগষ্টত এইজনা গীতিকবিয়ে জন্মগ্ৰহণ কৰিছিল। একেধাৰে গীতিকাৰ সুৰকাৰ গায়ক নৃত্যশিল্পীআৰু সু অভিনেতা পাৰ্বতি প্ৰসাদ বৰুৱা অসমীয়া সংস্কৃতিৰ একনিষ্ঠ পূজাৰী আছিল।

অসমীয়া গীতিসাহিত্যত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত যেন এক নিৰৱ চেতনাৰ স্ৰোতস্বিনী। প্ৰাৰ্থনাৰ কোমলতা আৰু আত্মনিবেদনৰ কৰুণ মধুৰ সুৰেৰে ভৰা পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত অসমীয়া সাহিত্যত একক বৈশিষ্টৰে অনন্য। তেওঁৰ চিত্ৰময় লিখনিৰ মাজেৰে বাঙ্ময় হৈ উঠিছে অসমৰ নিভাজ প্ৰকৃতি। "লুইতৰ চাপৰিত ক'ৰে নাৱৰীয়া! বালিত ভাতে ৰান্ধি খায়", "আজি ফাগুনৰ পুৱাবেলাতেই মেঘে ওন্দোলাই আনিলে -"; 'গৰখীয়া হেৰ' গৰখীয়া কি সুৰ বজালি দুপৰীয়া-' আদি গীতবোৰৰ সৰল মাধুৰ্যই আজিও আমাৰ হিয়া চুই যায়। সেইদৰে অসমীয়া লোক-সংগীতৰ -আইনাম ধাইনাম আদিৰ সুৰেৰে সজাই তুলিছে গীতসমূহক। কোমল শব্দছয়ন আৰুআত্মিক বিষাদৰ সুৰে গীতসমূহক প্ৰদান কৰিছে স্থায়িত্ব। বিশেষকৈ সুধাকণ্ঠ ভূপেন হাজৰিকাই মায়াবী কণ্ঠৰে পাৰ্বতিপ্ৰসাদ বৰুৱাৰ যিসমূহ গীতত কণ্ঠ নিগৰাইছে --সেই সকলো গীতেই লাভ কৰিছে অমৰত্ব। তেখেতৰ ৰচিত পুথিসমূহ হ'ল-"খেল ভঙা খেল", "ভঙা টোকাৰীৰ সুৰ", "গুণগুণনি", "লুইতী", "শুকুলা ডাৱৰ ঐ কহুঁৱা ফুল", "লখিমী" আদি। এইসমূহৰ উপৰিও বহু অনন্য গদ্য ৰচনাৰে তেখেতে অসমীয়া সাহিত্যলৈ অৱদান যোগাইছে। অসমীয়া ভাষাক নতুন শব্দছয়নেৰে সমৃদ্ধ কৰা পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জীৱন আৰু কৰ্মৰ মাজেদি যি নান্দনিক মূল্যবোধে প্ৰকাশ লাভ কৰিছে সেই মূল্যবোধেৰে সমৃদ্ধ হৈছে অসমীয়া জাতীয় জীৱন আৰু সাহিত্য। সময়ৰ সোঁতত এই নিভাঁজ সৃষ্টিৰাজি হেৰাই নাযাওক- এয়াই আমাৰ একান্ত কামনা। জন্মদিৱসত গীতিকবিক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰিছো।

# চমু বাট বিচাৰি

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



পিমু, কুইণ আৰু ৰিতু তিনিও নলে গলে লগা বন্ধু। সৌভাগ্য ক্ৰমে সিহঁতৰ গাঁওখনৰ নামো তিনিচুকীয়া গাওঁ। নাম টোৰ অৰ্থ নথকা নহয়হু গাঁওখনৰ আকৃতি ত্ৰিভুজাকৃতি। গতিকে এই আকৃতিগত বৈশিষ্ট্যৰ বাবেই এই নাম। তিনিও বন্ধুৰ ঘৰ তিনিটা চুকত। হ'লেও সিহঁত বিদ্যালয় লৈ সদায় একেলগে অহা-যোৱা কৰে। বিদ্যালয় ছুটিৰ পাছত তিনি বন্ধু আৰু সমনীয়াহঁতৰ লগত গাঁৱৰ খেলপথাৰ খনত সদায় ফুটবল খেলে।

এদিনাখনৰ কথা। সকলো খেলুৱৈ খেলপথাৰত গোট খালে। কিন্তু পিমু টীম লিডাৰ আহি পোৱাহি নাই। সকলো অধৈৰ্য হৈ পৰিছ। অলপ সময় অপেক্ষা কৰাৰ পাছত সেইদিনা খেল খন স্থগিত ৰাখিবলৈ সিদ্ধান্ত ল'লে। খেলুৱৈ সকল ঘৰা-ঘৰি গ'ল। কুইণ আৰু ৰিতু খেল পথাৰত কিছু সময় ৰৈ টিমুৰ ঘৰলৈ গৈ খবৰ এটা ল'বলৈ যোৱা টো থিক কৰিলে। কথা মতেই কাম। কুইণে ৰিতুক ক'লে ৰিতু, টিমুৰ ঘৰলৈ অলপ দুৰ আছে। সেয়ে ঘৰলৈ গৈ মাক কথাটো জনাব লাগিব।

ৰিতুৱে কুইণৰ কথাত হয়ভৰ দিলে। দুয়োটা প্ৰথমে কুইণৰ ঘৰলৈ গ'ল আৰু তাৰ পাছত ৰিতুৰ ঘৰলৈ গ'ল। ৰিতুৰ মাকক সকলো কথা বুজাই কৈ দুয়োটা পিমুৰ ঘৰ পালেগৈ। পিমুৱে ৰিতু আৰু কুইণক দেখি বৰ আনন্দ পালে। সি আগদিনা ফুটবল খেলি ঘুৰি আহোঁতে চাইকেলৰ পৰা পৰি ভৰিত আঘাত পাইছিল। সেয়ে পিমুৱে খেলিবলৈ যাব পৰা নাছিল বুলি ক'লে। তিনিও বন্দুৱে কথা পাতি থাকোতে সন্ধিয়া হ'বৰ হ'ল। এনেতে পিমুৰ দেউতাকে ক'লে কুইণ তুমি চমু বাটেৰে যাবা! সেই বাটটো লুংলুঙিয়া (ঠেক), আমি আগতে গৰু আনো! সেয়ে এই বাটটোক গৰুবাট বুলিও কোৱা হয়। কুইণে পিমুৰ দেউতাকে কোৱা বাটটেৰে গৈ সোনকালেই ঘৰ পালেগৈ। মাক-দেউতাকক পিমুৰ খা-খবৰ জনাই সি পঢ়াৰ মেজত বহি ভাবিলে, ত্ৰিভুজাকৃতি সিহঁতৰ গাঁওখনৰ তাৰ ঘৰৰপৰা ৰিতুৰ ঘৰলৈ আকৌ ৰিতুৰ ঘৰৰপৰা

(আঠপৃষ্ঠাত চাওক)

আকাৰ ইকাৰ নথকা কবিতা

# কমল নয়ন

**নিতিষ্মান দাস, অষ্টম শ্ৰেণী**




যকমল সম তব নয়ন,
জগতক তব কৰহ যতন।
শৰৰত তব অংসল বল,
বদনৰ নয়ন তব কমল।
অপ কৰমক কৰহ অপহত,
অদয়ক পৰম জন কৰহ হত।
জগত সৱক কৰহ ৰক্ষণ,
গগন সম তব বৰণ।
জগতৰ ভকতক কৰহ মংগল,
তব চৰণত পৱন জল।
ভকতজনৰ তব পৰম ৰতন,
অহৰহ ভকতক কৰহ ৰক্ষণ।
মৰতৰ নৰকক কৰহ সৰগ
তব দমনত ৰক্ষণ জগ।
অখটক কৰহ দমন তব বলত,
অংশধৰ ধৰহ ইহ জগতত ।
অগ নগ জগত তব জনন,
জগতখনক কৰহ অংকন।
অধৰমক কৰহ জয়,
জয় কমল নয়ন অক্ষয়।
মগন মগন কৰহ শয়ন,
তৰল তৰল তব বদন।
সৱ জগত হয় তৱ বদন,
অধৰম অখটক কৰহ দহন।
তব তলত কমল পংকজ,
কৰহ মই তব নমন ভজ।
অ পৰম জন জগতক কৰহ ৰক্ষণ,
জগতৰ অধৰমক কৰহ দমন।

# মই নোৱাৰিম

**বৰ্ণালী চৌধুৰী**




আপুনি ভাল লগাকৈ কথা কব,
আপোনাৰ ময়েই আপোন বুলি
মিছাতে নিজকে জাহিৰ কৰিব,
সকলো কথাতে হয় হয় বুলি
মই নোৱাৰিম কব।
একো নোকোৱাকৈয়ে হয়তো
আপোনাৰ বিপদত মই পাৰিম
সঁহাৰি দিব।
আপুনি বিছাৰিলে সুবিশাল
নদী, সুউচ্চ আকাশ হয়তো
পাৰিম দেখুৱাব।
দুখীয়াৰ দুৰ্দশা, সৰ্বহাৰাৰ জীৱন
হয়তো পাৰিম বৰ্ণাব।
তথাপি আপুনি ভাল পোৱা ধৰণে
হয়তো নোৱাৰিম কব।

JANASANYOG- 1857/22



# ভালপাওঁ

অঞ্জুমণি শইকীয়া
যোৰহাট, মালৌ-আলি



ভালপাওঁ জোনাকৰ পূর্ণিমাৰ জোন,
তৰাই বুটা বচা আকাশ চাবাচোন!
ভালপাওঁ সজা ধৰা ৰং সেউজীয়া,
ধাননিৰ আলিবোৰৰ চিন্ নাইকিয়া ।
ভালপাওঁ কুঁৱলীৰ বগা আৱৰণ,
নিয়ৰ জিলিকে যেন মুক্তাৰ বৰণ ।
ভালপাওঁ শৰতৰ শেৱালিৰ সুবাস,
শাৰদীয় উৎসৱৰ আনে উল্লাস্।
ভালপাওঁ শিশুৰ মৌসনা মাত,
ভাগৰ পলুৱাই হিয়া পৰে শাঁত্।
ভালপাওঁ সন্তানৰ শৈশৱ সুঁৱৰি,
দুচকুত ভৰি যায় সুখ দুখৰ পানী।
“ভালপাওঁ” বোৰ লিখিলেও শেষ নহয়,
সেয়ে, ইমানতে সামৰিলো মই ।

# সম্প্ৰীতি, সমন্বয় আৰু একতাৰ

মোৰ উপাধী “আহমেদ”ৰ সলনি “দাস” বুলি ঘোষণা কৰিলে। সভানেত্ৰী দাসে এই কাৰ্যত অসহজবোধ অনুভব কৰাৰ লগতে উপস্থিত মহিলা সকলেও কিছু প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। মই কিন্তু বৰ ভাল পালো। উক্ত দিনটোক মোৰ জীৱনৰ এটি উল্লেখনীয় দিন হিচাপে ধৰি ল'লো। মই মোৰ বক্তব্যত উল্লেখ কৰি ক'লো “এই বিশ্বত সকলো মানুহেই সৃষ্টিকৰ্তাৰ দাসেই হয়। মুছলমান সকলৰ নামৰ শেষত থকা উপাধিটো আৰবীৰ পৰা অসমীয়ালৈ অনুবাদ কৰিলে প্ৰায় ভাগৰ দাসেই হ'ব গৈ।” ইয়াৰ উপৰিও আত্ম সহায়ক গোটৰ পৰা আৰম্ভ কৰি মণ্ডল পৰ্যায়ৰ সংগঠনলৈকে বিশেষভাবে মহিলা সকল কি ধৰণে স্বাৱলম্বী হ'ব পাৰিব তাৰ ওপৰটো কিছু বক্তব্য প্ৰদান কৰিলো। ছিপাঝাৰ উন্নয়ণ খণ্ডৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ খণ্ড প্ৰকল্প পৰিচালক প্ৰণৱ টাইড, খণ্ড সমণ্বয়ক কঙ্কণ ডেকা, ৰাজেশ সুত্ৰধৰ, পলাশ শইকীয়া আৰু অনিল ডেকাই অহৰ্নিশে ছিপাঝাৰ উন্নয়ণ খণ্ডৰ এলেকাধীন আত্ম সহায়ক গোট, গ্ৰাম্য সংগঠন আৰু মণ্ডল পৰ্যায়ৰ সংগঠনৰ অধীনৰ মহিলা সকলক স্বাবলম্বী কৰাৰ ক্ষেত্ৰত দায়িত্ব পালনত কোনো ত্ৰুটি নকৰাৰ বিষয়ে মহামিলন মণ্ডল পৰ্যায়ৰ সংগঠনটিৰ বিষয়ববীয়া সকলৰ পৰা জানিব পাৰি অতিশয় আনন্দিত হ'লো। “নাৰী শক্তি মহান শক্তি” এই আপ্তঃ বাক্যযাৰী অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ দ্বাৰা ৰূপায়িত হোৱাৰ পথত তীব্ৰ গতিত অগ্ৰসৰ হৈছে। এয়া অসম চৰকাৰৰ এটি ইতিবাচক পদক্ষেপ বুলি উল্লেখ কৰিব পাৰি। স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে আয়োজিত এই অনুষ্ঠানটি সফল ভাবে সম্পন্ন হৈছিল। এয়া হৈছে শান্তি, সম্প্ৰীতি আৰু একতাৰ অসমত সততে পোৱা চিৰ যুগমীয়া আৰু আদৰ্শনীয় ঘটনা। এনে ধৰণৰ ঐক্য বান্ধোনৰ সেতু ৰচিত হৈছিল অসমৰ সমাজ জীৱনৰ মহা সংগঠক মহসপুৰুষ শ্ৰীমন্ত শংকৰ দেব, শ্ৰী শ্ৰী মাধব দেব আৰু পীৰ আজান ফকিৰৰ দ্বাৰা। কোনো অপশক্তিয়ে এই সকল সন্তৰ পবিত্ৰ হাতেৰে নিৰ্মিত শান্তি, সম্প্ৰীতি আৰু একতাৰ সৌধক নিচিহ্ন কৰিব নোৱাৰিব।

কিছু চিন্তা

উৎসৱমুখৰতা হৈছে জাতি ধ্বংশৰ মূল কাৰণ। অসম তথা ভাৰতত সাম্প্ৰতিক সময়ত উৎসৱমুখৰতাই গা কৰি উঠিছে। চৰকাৰে হিতাধীকাৰী সৃষ্টিত মনোনিবেশ কৰিছে, সামগ্ৰীৰ মূল্যই আকাশ চুইছে, হাজাৰ কৌটি টকা ধাৰ লোৱা সকল বিদেশলৈ পলাই গৈ আৰামী জীৱন কটাইছে আৰু ভাৰতত থকা হাজাৰ কৌটি টকীয়া বিত্তবান সকলৰ বেংকৰ ঋণ চৰকাৰে মাফ কৰাৰ ব্যৱস্থা কৰিছে। এই সকলোবোৰে মিলি অসম তথা ভাৰতবৰ্ষৰ প্ৰকৃত উন্নয়ণত বাধা আৰোপ কৰাৰ বিপৰীতে ৰাজনৈতিক নেতা সকলৰ ভোট বেংকৰ উন্নয়ণ হে পৰিলক্ষিত হৈছে। সেয়ে অসমৰ ৰাইজ সজাগ হোৱাৰ লগতে ৰাইজে নিৰ্বাচিত কৰি পঠিওৱা জন প্ৰতিনিধি সকলৰ ভুলবোৰ সৎ সাহসিকতাৰে আঙুলিয়াই দিব পাৰিব লাগিব। তেতিয়াহে স্বাধীনতাৰ অমৃত মহোৎসব কাৰ্যসূচী সফল হ'ব আৰু দেশ সকলো দিশতে উন্নয়ণমুখী হ'ব।

# অসমৰ বাদ্যযন্ত্ৰ

জ্যোতিস্মিতা গোস্বামী শৰ্মা



অসমত প্ৰাচীন কালৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰৰ প্ৰচলন দেখা পোৱা গৈছে। বাদ্যযন্ত্ৰ বোৰৰ ভিতৰত প্ৰাচীন মূৰ্ত্তিৰ হাতত থকা বীণা, কালি, ঢোল, ডম্বৰু আছিল প্ৰধান বাদ্য। পুৰণি পুথি চিত্ৰত শংখ, বাঁহী, খোল, তাল আদি বজোৱা পুৰুষ-স্ত্ৰীৰ বিভিন্ন ভংগীৰ দৃশ্য পোৱা যায়।
১৩শ শতাব্দীত ৰচিত মাধৱ কন্দলীৰ ৰামায়ণত বাদ্যযন্ত্ৰৰ উল্লেখ আছে এনেদৰে-

বীৰ ঢাক ঢোল বাজে
তবল ডগৰ দণ্ডি
শৰদ শুনিয়া কোলাহল
ভেমচা ক্ষেমচা চয়
ঝাঝাৰ বেমচি বাজে
ৰামতাল আৰু কৰতাল
টোকাৰি কেণ্ডৰা ৰুদ্ৰ
বিপিঞ্চি দুতোৰা বাজে
.........................
স্বাৰ্গভুৱনৰ গৈলা পুৰি ।

# বুৰঞ্জী যে গৰকা দিখৌমুখত

কীৰ্তিচিহ্ন বৰ্তমান ধ্বংস আৰু সংৰক্ষণ অভাৱত। দিখৌমুখ ক যে আজানপীৰ দৰগাহ আৰু কালিকাপুৰাণত উল্লেখিত মহান তত্বপীঠ ৰামখা পীঠ দেৱালয়ে আহোম যুগৰ স্মৃতি জিলিকাই ৰাখিছে তেনে নহয় ইটাজান, ৰূপহীজান, বহু বিঘা জুৰি খন্দোৱা মগলৌপুখুৰী, টেলিয়াডোঙা পুখুৰী বা অন্যান্য কীৰ্তিচিহ্ন ই অসম বুৰঞ্জীৰ সোণৰঙা অতীজৰ কথা আজিও দিখৌমুখত সগৌৰৱে ঘোষণা কৰি আহিছে। বহু বিঘা জুৰি আহোম ৰজাই খন্দোৱা পুখুৰী, বা আহোম যুগৰ স্মৃতি জিলিকাই ৰখা বহু কীৰ্তিচিহ্ন প্ৰাকৃতিক দুৰ্যোগ আৰু সংৰক্ষণৰ অভাৱত বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে আৰু প্ৰায় বিলুপ্ত হোৱাৰ দিশত গতি কৰিছে। আহোম ৰজাৰ স্মৃতি স্বৰূপ এই কীৰ্তিচিহ্ন সমুহ ক সংৰক্ষণ কৰাৰ প্ৰয়োজন যদিহে সংৰক্ষণ নকৰে নৱ প্ৰজন্ম ই হয়তো এই কীৰ্তিচিহ্ন সমুহ দেখিবলৈ নাপাব। গতিকে এই প্ৰাচীন কীৰ্তিচিহ্ন সমুহ সংৰক্ষণ কৰি চৰকাৰে দিখৌমুখ ক ন-ৰূপ দি নপৰিকল্পনা ৰে দিখৌমুখক পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি জিলিকাই তুলিব লাগে। সেয়েহে স্থানীয় ৰাইজৰ সহযোগ আৰু সংশ্লিষ্ট বিভাগ, চৰকাৰৰ বিভিন্ন আঁচনি ত দিখৌমুখ ক অন্তৰ্ভুক্ত কৰা ৰ প্ৰয়োজন আছে আৰু পৰ্যটন স্থলী গঢ় দিব লাগে। গৌৰীসাগৰৰ পৰা দিখৌমুখলৈকে এই বৃহৎ অঞ্চল ঐতিহাসিক মঠ-মন্দিৰ, আলি-পদুলি, জান-জুৰি, নদ-নদী, গড়, খাৱৈ, পুখুৰী আদিৰে ভৰপুৰ। এই সকলো ইতিহাস প্ৰসিদ্ধ স্থানকে সংৰক্ষণ কৰি দিখৌমুখক ঐতিহাসিক পৰ্যটনৰ এক আকৰ্ষণীয় ক্ষেত্ৰলৈ উন্নীত কৰিব পাৰি। মনোমোহা প্ৰাকৃতিক দৃশ্যৰে ভৰা দিখৌ ব্ৰহ্মপুত্ৰ-দৰিকাৰ ত্ৰিবেনীসঙ্গম স্থললৈ শিৱসাগৰ নগৰৰ পৰা দিখৌ নদীয়েদি নৌকা বিহাৰৰ ব্যৱস্থা কৰিব পৰা যায়। দিখৌমুখৰ এখন প্ৰামান্য ইতিহাস ৰচিত হ'ব লাগে। ইয়াক লৈ নিৰ্মাণ কৰা এখন তথ্যচিত্ৰই সামাজিক উত্তৰণত নিশ্চয় সহায় কৰিব।

# চমু বাট বিচাৰি

পিমুৰ ঘৰলৈ ত্ৰিভুজৰ দুটা বাহু অতিক্ৰম কৰি যাওতে যিমান সময় লাগিল, এতিয়া পিমুৰ ঘৰৰ পৰা তাৰ ঘৰ (ত্ৰিভুজৰ তৃতীয় বাহু) পাওঁতে কম সময় লাগিল। কুঁহিৰ বিদ্যালয়ত গণিতৰ ত্ৰিভুজৰ ধৰ্ম এটা প্ৰমাণ কৰাৰ কথা মনত পৰিল। ধৰ্মটো আছিল ত্ৰিভুজৰ দুটা বাহুৰ দৈৰ্ঘ্যৰ যোগফল তৃতীয় বাহুতকৈ ডাঙৰ। শ্ৰেণীকোঠাত বহিত আঁকি প্ৰমাণ কৰাতো আজি ব্যৱহাৰিক ক্ষেত্ৰত প্ৰমাণ পালে। তাৰ মনতো খুব ভাল লাগি গ'ল। সি লগে লগে ৰিতু আৰু পিমুলৈকো ফোন লগালে।

# গুৱাহাটীৰ কৃত্ৰিম বানৰ প্ৰকৃত কাৰণ আৰু সমাধানৰ কিছু চিন্তা

সৌৰভ কুমাৰ দাস

গুৱাহাটীৰ কেউদিশে বানৰ কল্লোল। আগতে নেদেখা সৰ্বকালৰ অভিলেখ ভংগ কৰা এইবাৰৰ বান। মানৰ সম্পদৰ লগতে অনেক আৰ্থিক ক্ষতিয়ে গুৱাহাটী মহানগৰীক দুৰ্দ্ধলা কৰিছে। এই বানৰ বাবে ব্যক্তি বিশেষে আৰু ৰাইজনৈতিক দলবোৰে আক্ৰমণৰ লক্ষ্য কৰি লৈছে গুৱাহাটী পৌৰ নিগম, স্থানীয় বিধায়ক, মন্ত্ৰী আৰু চৰকাৰক। এওঁলোকৰ মতে চৰকাৰেহে বানপানীৰ সৃষ্টি কৰিছে বা বানপানীৰ বাবে চৰকাৰ দায়ী। যদি সেয়ে হয়, তেন্তে ক'ব লাগিব আগৰ অসম গণ পৰিষদ চৰকাৰ আৰু কংগ্ৰেছ চৰকাৰো তাৰ বাবে দায়ী। আজি বিপক্ষত বহি চিঞৰ বাখৰ কৰি সাধাৰণ মানুহৰ মন জয় কৰাৰ যি নিৰ্লজ্য প্ৰয়াস তাক এবাৰ ভাবি চাওঁকচোন তেওঁলোকৰ শাসন কালতো যে বানপানীয়ে গুৱাহাটী বাসীক জ্বলাা ক'লা খুৱাইছিল।

গুৱাহাটীৰ বান সমস্যাৰ বাবে যিদৰে চৰকাৰী যন্ত্ৰবোৰ দায়ী, ঠিক তেনেদৰে আমি নাগৰিকবোৰো কম দায়ী নহয়। আমাৰ আত্মকেন্দ্ৰিক স্বভাৱ আৰু স্বাৰ্থপৰতাও তাৰ বাবে দায়ী। প্ৰকৃতিক ৰক্ষা কৰি আমি কিমান জনে ঘৰ বনাইছো? প্ৰকৃতিৰ বিৰুদ্ধে যুঁজিবলৈ গলে ধ্বংস অনিবাৰ্য। আজি সেইটোৱেই হৈছে। প্ৰকৃতিক যদি প্ৰকৃতিৰ মতে চলিবলৈ দিলোহেতেন, আজি গুৱাহাটীৰ এই দুৰৱস্থা নহ'ল হেতেঁন। হাজাৰ বছৰ আগতে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সভ্যতাই দেখোৱাই যোৱা আদৰ্শ নগৰ প্ৰণালীক তিলমানো অনুকৰণ কৰিবলৈ সক্ষম নহ'লো।

এতিয়া কোনেও কাকো সমালোচনা কৰাৰ সময় নহয়। গুৱাহাটীৰ বানপানীৰ সমস্যা কোনো চৰকাৰে সমাধান কৰিব নোৱাৰে। কাৰণ -

১) চানমাৰিৰ পৰা গনেশগুৰিলৈ তাহানি কেৱল চিৰিয়াখানা আৰু তাৰ বিপৰীতে বৰফ বনোৱা ফেক্টৰীটোৰ বাহিৰে দুয়োফালে কেৱল জলাশয় আছিল।

২) গনেশগুৰিৰ পৰা হাতীগাঁও, জটিয়া, কাহিলীপাৰা, সৰুসজাই, বেতকুছি, বৰাগাঁও, গড়চুক উন্মুক্ত খেতিপথাৰ আছিল।

৩) নাৰেঙ্গীৰ ওচৰৰ বৰবাৰীৰ পৰা চচলহৈ ছয়মাইললৈ কেৱল ধানখেতি কৰা পথাৰ আৰু পিতনি আছিল। VIP Road টো নাছিল। বৰবাৰীৰ পৰা হেঙেৰাবাৰীলৈ শিল-মাটিৰ লুংলুঙীয়া কেচা পথ আছিল। পাহাৰৰ কাষে কাষে কাৰ্বি, বড়ো জনগোষ্ঠীৰ লোক সকলৰ বসতিস্থল আছিল। পথটোৰ তলফালে (দক্ষিণে) বিশাল খেতি পথাৰৰ বাদে জনবসতি নাছিল। আনকি Down Town ৰ পিছফালে বৃহত্তৰ অঞ্চল কেৱল পথাৰ-জলাশয় আছিল।

৪) গুৱাহাটীৰ পূব দিশে বিস্তীৰ্ণ আৰু বিশাল শিলসাঁকো বিল পুতি এতিয়া শেষ অৱস্থা। চাৰিওফালে অবৈধ দখল। হেঙেৰাবাৰীৰ পৰা পাব্লিক হেলথহৈ গনেশগুৰিলৈ গোটেইখন জলাশয় আৰু পথাৰ আছিল।

৫) নুনমাটিৰ মথঘৰীয়াৰ পৰা গীতানগৰহৈ জুবোড তিনিআলিলৈকে বিস্তীৰ্ণ অঞ্চল জলাশয় আৰু খেতি পথাৰেৰে আবৃত্ত আছিল।

৬) ৰাজগড় ৰোডৰ চানমাৰিৰ পৰা ভঙাগড়লৈ দুয়োফালে বহল খাৰৈ আছিল।

৭) খৃষ্টান বস্তিৰ পৰা ভঙাগড়লৈ ৰাস্তাৰ দুয়োফালে পানী মেটেকাৰে ভৰা পিতনি আছিল।

৮) ভঙাগড় চাৰিআলিৰ পাহাৰৰ ওপৰত থকা মেডিকেললৈ ঠেক আৰু কিবাকৈ দুখন গাড়ী অতিক্ৰম কৰিব পৰা সৰু ৰাস্তা আছিল। দুয়োফালে বিল আকাৰৰ পানী মেটেকাৰে ভৰা বৃহৎ পিটনি আছিল। বাৰিষাৰ পানী ধৰি ৰাখিব পৰা এই বৃহৎ পিটনিৰ ওপৰতে এতিয়া বিশাল মেডিকেল কলেজ হস্পাতাল আৰু বাওঁদিশে (পশ্চিমে) নতুনকৈ সৃষ্টি হোৱা Super Speciality আৰু কেঞ্চাৰ হাস্পাতাল।

৯) শ্ৰীনগৰ, তৰুণ নগৰকে সামৰি বৃহৎ অঞ্চলটো কেৱল জলাশয় আছিল।

১০) চানমাৰিৰ পৰা গান্ধীবস্তি হৈ গুৱাহাটী ৰেইল ষ্টেচনৰ প্ৰায় কাষলৈ দুয়োফালে দ জলাশয় আছিল।

১১) শান্তিপুৰৰ পৰা ভূতনাথ, দুৰ্গাসৰোবৰ হৈ কামাখ্যা গেটৰ ৰেইল লাইনৰ বাওঁফালে (দক্ষিণ দিশ) দ মেটেকাৰে পৰিপূৰ্ণ বিশাল বিল আৰু বৃহৎ পুখুৰীও আছিল।

১২) মালিগাঁওৰ কাষতে থকা গোটানগৰ, পদুমবড়ী অঞ্চলত বৃহৎ খেতি পথাৰ আছিল।



১৩) কামাখ্যা ৰেইল ষ্টেচনৰ পিছফালে (কেন্দ্ৰীয় বিদ্যালয়ৰ পিছফালে) থকা কেইবা বৰ্গ কিলোমিটাৰ এখন ডাঙৰ বিল আছিল।

১৪) জালুকবাৰীৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা গোটানগৰ, তেতেলীয়, দীপৰ বিলৰ এটি বৃহৎ অংশ, বিশিষ্টলৈকে কেৱল খেতি পথাৰ আছিল।

১৫) বেলতলাত ৰাণীৰ ঘৰৰ কাষত মুষ্টিমেয় কেইঘৰমান মানুহৰ বাহিৰে বাকী অঞ্চল খেতি পথাৰ আছিল।

১৬) মালিগাঁওৰ বড়িপাৰাৰ পৰা জালুকবাৰীৰ ৰেইল লাইনৰ কাষলৈকে মছজিদটো আৰু কেইঘৰমান মানুহক বাদ দি গোটেইখিনি পানী মেটেকাৰে ভৰা পিটনি আছিল।

১৭) বৰ্তমানৰ আদাবাৰী বাছ আস্থানটো স্থাপন কৰাৰ আগতে সেই অঞ্চলটো বহু অঞ্চল জুৰি বিল আছিল। বাৰিষাৰ পানী গৈ তাত জমা হৈছিল। প্ৰথম অৱস্থাত আস্থানটি গুৱাহাটীৰ ভিতৰতে এটি সুন্দৰ আৰু জাকত জিলিকাকৈ সজাই পৰাই নিৰ্মাণ কৰিছিল। আমাৰ সচেতনতা আৰু স্বভাৱৰ দুখত এতিয়া জঘন্য আৰু কদৰ্যময়। এতিয়া অসৎ মানুহৰ আদ্দা, চুৰ, ঠগ প্ৰৱঞ্চকৰ ঘাটিত পৰিণত হৈছে।

১৮) জালুকবাৰীৰ চাৰিআলিত যেতিয়া উৰণীয়া সেতু নাছিল, তেতিয়া তাৰ কাষতেই অসম আৰ্হিৰ ঘৰৰ পুলিচ থানাখন আছিল। তাৰ পিছফালৰ পৰা গোটেইখন দ খেতি পথাৰ আছিল। শৰাইঘাট দলঙলৈ যোৱা পথটোৰ সোঁফালে দ খাৰৈ আছিল য'ত বৰ্তমানৰ বিত্তমন্ত্ৰী অজন্তা নেওগ (দাস)ৰ অসম আৰ্হিৰ ঘৰ আৰু ২/১ ঘৰ মানুহৰ বাহিৰে কোনো নাছিল। অজন্তা নেওগ (দাস)ৰ দেউতাক প্ৰয়াত চচধৰ দাস আৰু মাতৃ ৰেৱতী দাস এই সমষ্টিৰ এম. এল. এ. আছিল। বিশাল খেতিপথাৰৰ সৈতে মৰাসুঁতিটো পুতি তাত মহানগৰলৈ পানী যোগানৰ Plant বহোৱা হৈছে।

১৯) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূপেন হাজৰিকা সমাধি ক্ষেত্ৰৰ কাষত দুটি বিশাল পুখুৰী আছিল। তাক আমি ফিচাৰী বুলি কৈছিলো। উৰণীয়া সেতু নিৰ্মাণ কৰি পুখুৰী দুটা পুতি পেলোৱা হ'ল। সমাধিক্ষেত্ৰৰ ৰাস্তাৰ কাষৰ পশ্চিম কোণৰ পোষ্ট অফিচৰ পৰা (এতিয়া ভাঙি পেলোৱা হৈছে) অতিথিশালাৰ বিপৰীত দিশত থকা ঘৰবোৰৰ প্ৰত্যেকৰে সন্মুখত একোটিকৈ পুখুৰী আছিল। তাত বাৰিষাৰ পানীবোৰ গৈ পৰিছিল। বিশ্ববিদ্যালয়ৰ মাৰ্কেটখনৰ পিছপালে দুটামান হোষ্টেলৰ বাদে গোটেইখন খেতিপথাৰ আছিল। বাৰিষাৰ পানী এই পথাৰেদি গৈ ব্ৰহ্মপুত্ৰৰ কাষৰ মৰাসুঁতিটোত পৰিছিলগৈ। এতিয়া সেই পথাৰ-বিল পুতি ৰাষ্ট্ৰীয় ঘাইপত (বাইপাছ) নিৰ্মাণ কৰা হ'ল। বাৰিষাৰ পানী ওলাই যোৱাত বাধাৰ প্ৰাচীৰ হ'ল।

২০) ব্ৰহ্মপুত্ৰৰ শৰাইঘাট দলংৰ উত্তৰে বাওঁদিশে (পূবে) আমিনগাঁওৰ গোটেই অঞ্চলটো বিস্তীৰ্ণ এলেকা দ পিটনিৰ বাদে একো নাছিল। পশ্চিম দিশে তলত এখন আশ্ৰম আৰু এখন শ্মশান আৰু নিশা হ'লে এন্ধাৰ আৰু ভয়াল ঠাই আছিল।

এতিয়া এইবোৰৰ অস্তিত্ব নাই। বিল, পিটনিৰ ঠাইত উদ্যোগ, অট্টালিকা। আজি উপৰোক্ত প্ৰতিটো অঞ্চলৰ আগৰ অস্তিত্ব নাই। কতো খালী ঠাই নাই। কেৱল জন অৰণ্য সকলো পুতি পেলোৱা হ'ল। অপৰিকল্পনা, দুৰদৰ্শীতাহীন ভাৱে ঘৰ সজা হ'ল। ৰাস্তা কিমান বহল হ'ব, নলাৰ বাবে কিমান বহললৈকে মাটি এৰি দিয়া হ'ব তাৰ কোনো পৰিকল্পনা নোহোৱাকৈ পৌৰ নিগমে ঘৰ বনোৱাৰ অনুমতি দিলে।

এতিয়া নলাবোৰ পানী যাবলৈ বনোৱা নহয়। কেৱল জাবৰ প্লাষ্টিকৰ পেলনীয়া সামগ্ৰী পেলোৱাৰ বাবে ব্যৱহাৰ হয়। ভাবি চাওকচোন, গোটেই গুৱাহাটীৰ বাৰিষাৰ পানী এসময়ত সুন্দৰকৈ গৈ দীপৰ বিলত পৰিছিল। আজি কোনে বাধা দিছে? আমিবোৰেই নহয় জানো? সেয়ে কওঁ, গুৱাহাটীৰ বানপানীৰ জটিল সমস্যা কংগ্ৰেছ চৰকাৰেই হওঁক, অগপ চৰকাৰেই হওঁক, ভাজপা চৰকাৰেই হওঁক বা ভৱিষ্যতে কোনো নতুন দলৰ চৰকাৰ আহক কোনেও সমাধান কৰিব নোৱাৰে, কাৰণ চৰকাৰৰ অনুমতি সাপেক্ষে মিয়াদী মাটিত সজা ঘৰ, অট্টালিকা, উদ্যোগ, ব্যৱসায়, শিক্ষানুষ্ঠানবোৰ জানো উচ্ছেদ কৰিব পাৰিব? নিশ্চয় কোনো চৰকাৰে নোৱাৰে।

একমাত্ৰ উপায়-কলকাতা মহানগৰৰ দৰে গুৱাহাটীৰ প্ৰতিটো পথৰ তলত বৃহত RCC ৰ Drain বনাই ওপৰটো ধালাই কৰি পানী সৰকিব পৰা চাকনি লগাই দি নলাবোৰ সংলগ্ন কৰি ভৰলু-শিলসাঁকোৰ (এইখন বোন্দাৰ শ্লুইচ গেটেৰে ব্ৰহ্মপুত্ৰতলৈকে) সৈতে সংযোগ কৰক। ভৰলু-শিলসাঁকো আৰু বাহিনী নৈৰ দুয়োফালৰ অবৈধ দখল উচ্ছেদ কৰি প্ৰয়োজন হ'লে ম্যাদী মাটি হ'লেও উপযুক্ত ক্ষতিপূৰ্ণ দি চৰকাৰে ক্ৰয় কৰি তিনিগুণ বহল আৰু দকৈ খান্দি শ্লুইচ গেটেৰে বিশাল পাম্প ব্যৱহাৰ কৰি সিচি ব্ৰহ্মপুত্ৰত পেলাওঁক। বৰিপাৰাৰ উৰণীয়া সেতুৰ তলৰ পৰা পাণ্ডুৰ ব্ৰহ্মপুত্ৰ নদীৰ কাষলৈ যোৱা পুৰণি ৰেইল পথটো আৰু উজানবজাৰৰ পুৰণি ৰেইল যোৱা পথটোৰ মাটি খিনিৰ তলেৰে গভীৰ আৰু বিশাল পকী নলা নিৰ্মাণ কৰি ব্ৰহ্মপুত্ৰৰ সৈতে সংযোগ কৰিলে (ইয়াত শ্লুইচ গেট থাকিব লাগিব) কৃত্ৰিম বানৰ পৰা বহুখিনি সকাহ পোৱা যাব।

প্ৰয়োজন হ'লে গুৱাহাটীৰ IIT ৰ বিশেষজ্ঞৰ সহায় লওক। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমান অসম চৰকাৰৰ অধীনত কাম কৰা অভিযন্তা

(দহ পৃষ্ঠাত চাওক)

# ভেলেজোৰ কবিতাত ভৱিষ্যদৰ্শন

**পুলিন ডেকা**

কবিতা কেৱল ৰসবস্তু বিষয়ক বৌদ্ধিক প্ৰকাশ নহয়। কবিতাই দিব পাৰে মানুহৰ নান্দনিক চেতনা, জীৱনৰ উন্মিলিত শক্তি। শ্ৰেণী চেতনা উজ্জীৱিত কৰা আৰু সমাজ ৰূপান্তৰৰ এক নব্য ধাৰা সূচনাৰ দিশতো কবিৰ থাকে অপৰিসীমবোধ। তেনে এগৰাকী কবি, লেখক, নাট্যকাৰ, সাংবাদিক আছিল চেজাৰ আব্ৰাহাম ভেলেজো মেণ্ডোজা। পেৰুৰ এইগৰাকী কবিৰ কাব্য চেতনাৰ মাজত ভবিষ্যদৰ্শনৰ প্ৰবাহ উন্মুক্ত হৈ উঠিছিল। বিংশ শতাব্দীৰ বহু কবিৰ মাজত তেওঁ আছিল অনন্য। তেওঁৰ চিন্তা আছিল জনমুখী ভাবধাৰাৰ এক নিৰৱচ্ছিন্ন সোঁত। সীমিতসংখ্যক কবিতা পুথি প্ৰকাশ কৰি কাব্যিক উদ্ভাৱক হিচাপে সমগ্ৰ বিশ্বব্যাপী বিশেষ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। সেইবাবে থমাছ মাৰ্টনে তেওঁক ডাণ্টেৰ পিছত সৰ্বশ্ৰেষ্ঠ সাৰ্বজনীন কবি হিচাপে অভিহিত কৰে। ব্ৰিটিছ কবি, সমালোচক আৰু জীৱনীকাৰ মাৰ্টিন ছিমৰ স্মিথে ভেলেজোক যিকোনো ভাষাৰ ভিতৰত বিংশ শতাব্দীৰ শ্ৰেষ্ঠ কবি হিচাপে অভিহিত কৰে।

তেওঁৰ মানুহৰ বিৱৰ্তনৰ সোঁতটোত সাংস্কৃতিক চেতনাবোধে যে এক শক্তিশালী পৰিচয় দাঙি ধৰে সেই কথা কবিতাসমূহৰ মাজেৰে প্ৰকাশিত হৈছে। জীৱনৰ বেছিভাগ সময় পেৰিছ আৰু স্পেইনত বাস কৰা এইগৰাকী কবিয়ে আধুনিক কাব্য ধাৰাত এটি নতুন প্ৰত্যয়ৰ সূচনা কৰে। তেওঁৰ কাব্যিক চেতনা অতি বাস্তববাদী। সমাজখনক তেওঁ বাস্তৱ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব বিচাৰে। সেইবাবে কবিতাৰ চিত্ৰকল্প আৰু ছন্দৰ মাজত মানৱীয় প্ৰকৃতিৰ অনন্য সুৰ প্ৰকাশি উঠিছে। তেওঁ পৃথিৱীৰ ক্ষোভ আৰু যন্ত্ৰণা, আতংক আৰু কাৰুণ্যৰ প্ৰতিচ্ছবিখন গভীৰভাৱে অনুধাৱন কৰিব পাৰিছিল। কবি হিচাপে তেওঁ আৱেগিক, কিন্তু নৈতিকতাৰ দিশটোৰ প্ৰতি সচেষ্ট আছিল। স্পেইনৰ গৃহযুদ্ধৰ সাক্ষী এই গৰাকী কবিয়ে উপলব্ধি কৰিছিল হিংসা, হত্যা, ৰাজনৈতিক দুৰাকাংক্ষা সভ্য সমাজৰ বাবে কিমান ভয়াৱহ হ'ব পাৰে। 'দ্য ব্লেক হেৰাল্ডছ', 'ট্ৰিলচে' নামৰ কাব্যগ্ৰন্থৰ মাজত কবিগৰাকীৰ সামাজিক সত্তাৰ বৰ্ণিল স্বৰূপ উপলব্ধি কৰিব পৰা যায়। আনহাতে, লা পিড্ৰা কানছাডা নামৰ নাটকখনৰ মাজেৰে তেওঁৰ বৈপ্লৱিক চেতনা মূৰ্ত হৈ উঠিছে। মৰণোত্তৰভাৱে প্ৰকাশিত কবিতা সংকলন 'বৰ্বৰতাৰ ওপৰত ধৰ্মধ্বনী', 'মানৱীয় কবিতা' নামৰ গ্ৰন্থ দুখনে মানবীয় চেতনাবোধৰ দুৰন্ত প্ৰকাশ দেখা যায়। ট্ৰুজিলোৰ কাৰাগাৰৰ বন্দী হিচাপে, প্ৰবাসী ৰাজনৈতিক কৰ্মী হিচাপে আৰু বিধ্বংসী স্পেইনৰ গৃহযুদ্ধৰ সাক্ষী হিচাপে মানুহৰ যি বেদনা তাক গভীৰভাৱে অনুভৱ কৰিবলৈ সক্ষম হৈছিল। সেইবাবেই তেওঁৰ কবিতাত বৈপ্লৱিক চেতনাৰ সুৰ অতি গভীৰ। তেওঁ মানুহক দিব বিচাৰিছিল শান্তিৰ সন্ধান। মানবীয় জীৱনধাৰা গতিশীল কৰা স্বপ্নই বিভোৰ কৰিছিল। সেইবাবে তেওঁৰ কাব্যশৈলীৰ মাজেৰে ভৱিষ্যতৰ এখন সুন্দৰ সমাজ গঢ়ি তোলাৰ তীব্ৰ সুৰ অনুৰিত হয়।

উত্তৰ এণ্ড্ৰিছ পৰ্বতমালাৰ ছান্টিয়াগো ডি চুকোত জন্মগ্ৰহণ



কৰা ভেলেজোৰৰ প্ৰথম কাব্য সংকলন আছিল 'কৃষণাংগ বাৰ্তাবাহকসকল'। ট্ৰুজিলো আৰু লিমা চহৰৰ জীৱনৰ সেই কঠোৰতা কবিতাসমূহৰ কেন্দ্ৰীয় প্ৰবাহ। মাৰ্ক্স, ডাৰউইন আৰু যুক্তিবাদী দাৰ্শনিকসকলৰ ধাৰণাৰে পৰিচিত হোৱাৰ পাছত তেওঁৰ মনত এক সুদৃঢ় ধাৰণাৰ সূচনা হয় যে যি জীৱনধাৰাৰে তেওঁ নিজক আগুৱাই লৈ গৈছে সেয়া সত্য হ'ব নোৱাৰে। ১৯২২ চনত ভেলেজোৰক গ্ৰেপ্তাৰ কৰাৰ পূৰ্বে তেওঁৰ 'ট্ৰিলচে' নামৰ কিতাপখন প্ৰকাশ পায়। এই কিতাপখনত লেটিন আমেৰিকাৰ কবিতা, পশ্চিমীয়া সাংস্কৃতিক পৰম্পৰাৰে পৰিচিত কৰাই দিয়ে। ১৯২৩ চনত ভেলেজোৰে যেতিয়া পেৰু এৰি যাব লাগিছিল তেওঁৰ জীৱনত আৰম্ভ হৈছিল এক গভীৰ প্ৰত্যাহ্বান। ফৰাচী লেখক এন্টনিন আৰ্টড আৰু জিন কক্টৰ লগত পাবলো পিকাছোক যেতিয়া লগ পাইছিল তেতিয়া তেওঁৰ সমগ্ৰ চিন্তাধাৰাৰ দ্ৰুত পৰিৱৰ্তন হয়। মাৰ্ক্সবাদী সাহিত্য অধ্যয়ন কৰাৰ পাছত তেওঁৰ চিন্তাধাৰাত কমিউনিষ্ট দৰ্শনে স্থান পাবলৈ ধৰে আৰু নিজকে মাৰ্ক্সবাদী তত্ত্বৰ কিতাপ লিখাৰ বাবে নিজকে উৎসৰ্গিত কৰে। ১৯৩০ চনত ভেলেজোৰে প্ৰথম নাটক ৰচনা কৰে। তেওঁ অসংখ্য লেখা লিখি সাহিত্যৰ ক্ষেত্ৰখনক অধিক গতিশীল কৰিছিল।

দাৰিদ্ৰ্যতাৰ সৈতে সৰুৰে পৰা পৰিচিত ভেলেজোৰে দুখীয়া মানুহৰ দুখ, মনন জগতত ইয়াৰ প্ৰভাৱ খুব গভীৰভাৱে অনুধাৱন কৰিব পাৰিছিল। সেইবাবে তেওঁৰ দুৰ্দশাগ্ৰস্ত লোকসকলৰ প্ৰতি গভীৰ সহানুভূতি জাগ্ৰত হৈছিল। মনত এক প্ৰতিবাদী সত্তাৰ স্ফুৰণ ঘটিছিল। সেইবাবে তেওঁৰ বৌদ্ধিক চেতনাৰ মাজত মাটিৰ গোন্ধ, দৰিদ্ৰজনৰ জীৱনৰ দুঃস্বপ্নই স্থান পাইছিল। কেতিয়াবা তেওঁ বিচ্ছিন্নবোধত আচ্ছন্ন হৈছিল, কেতিয়াবা তেওঁ ধৰ্মক লৈয়ো সন্দিহানৰ ভাব জাগি উঠিছিল। সেইবাবেই হয়তো তেওঁৰ জীৱনত মাৰ্ক্স আৰু ডাৰউইনৰ বিৱৰ্তন তত্ত্বৰ প্ৰতি তেওঁৰ ধাৰণা প্ৰগাঢ় হৈ উঠিছিল।

# সম্বন্ধ বা সম্পৰ্ক

**হিমাদ্ৰী বৰকটকী নগাঁও**

সম্বন্ধ বা সম্পৰ্ক এটা মধুৰ শব্দ। এই সম্বন্ধ সহজে পোৱা নাযায়। জন্মসূত্ৰে পিতৃ - মাতৃৰ লগত হোৱা সম্বন্ধ, দাদা, ভাই, বাই, ভনীৰ লগত হোৱা সম্বন্ধ। আমাৰ এই সম্বন্ধৰ জৰীডাল সঁচাই কটকটীয়া। বৰদেউতা, খুড়া, জেঠাই, পেহী, মামা, মাহী, আদি সম্বন্ধ বোৰ আমি এখন ঘৰত জন্মৰ পিছতেই পাওঁ। কিছুমান সম্বন্ধ আকৌ আমি বিবাহ সূত্ৰে পাওঁ। বিবাহৰ জৰিয়তে এখন ঘৰত শহুৰ, শাহু, ননদ, দেওঁৰ, জেঁঠাল বা বৰজনা, জা - জোৱালী আদিৰ লগত নতুন সম্বন্ধ গঢ় লৈ উঠে। এই সম্বন্ধৰ মাজত কিছুমান পৰিয়ালত কেতিয়াবা ভুল বুজাবুজিৰ ভিত্তিত গৃহকন্দল আৰু মানসিক অশান্তিৰ সৃষ্টি হয়। যাৰ ফলস্বৰূপে এখন সুখৰ সংসাৰ ঠানবান হৈ পৰা দেখা যায় আৰু লগতে সম্বন্ধতো ফাঁট মেলে।

বন্ধু, বান্ধৱীৰ লগত জড়িত সম্বন্ধ সঁচাই অতুলনীয়। এই সম্বন্ধ শৈশৱ কালৰ পৰাই গঢ় লৈ উঠে। বহুত বিপদ আপদত শৈশৱৰ বন্ধুৱে কৰা সহায় সহযোগিতা পাহৰিব নোৱাৰে কোনেওঁ। আজি




কালি face book ৰ জৰিয়তে গঢ় লৈ উঠা বন্ধুত্বৰ সম্বন্ধত কিছুমান জটিলতা আছে। সেই কাৰণে বন্ধুত্ব সম্বন্ধটো গঢ়োতে আজিকালি সাৱধান হোৱা উচিত। নহ'লে কেতিয়াবা বিপদত পৰিব লগা হ'বও পাৰে। অৱশ্যে সকলো বন্ধু তেনেকুৱা নহয়। বহুত ভাল বন্ধুও face book ত আছে।

সম্বন্ধ এটা গঢ় দিবলৈ বৰ টান। কিন্তু সম্বন্ধ এটা ভাঙিবলৈ এক মূহুৰ্তও নালাগে। উদাহৰণ স্বৰূপে প্ৰেমৰ সম্পৰ্ক এটা ভুল বুজাবুজিৰ কাৰনে এক মূহুৰ্ততে শেষ হৈ যোৱা দেখা যায়। স্বামী স্ত্ৰীৰ সম্বন্ধটো এটা খুব মধুৰ সম্বন্ধ। সেইকাৰণে স্বামী স্ত্ৰীৰ মাজতো সদায় বুজাবুজি থাকাটো খুবেই প্ৰয়োজন। নহ'লে সম্বন্ধত ফাট মেলা দেখা যায়। দিনে দিনে আমাৰ সম্বন্ধ বোৰ সৰু সৰু কথাতে জটিলতাৰ পিনে গতি কৰিব ধৰিছে। মানুহ মাত্ৰেই ভুল হক্সয়েই। তথাপি বুজাবুজিৰ মাজেৰে এটা সম্বন্ধ ফাট মেলাৰ পৰা ৰক্ষা কৰিব পাৰি। সম্বন্ধ এটা জীয়াই ৰাখিবলৈ হ'লে প্ৰেম, ভালপোৱা, বুজাবুজি, আন্তৰিকতা, ত্যাগ আদিৰ খুবেই প্ৰয়োজন। তেতিয়াহে সম্বন্ধ বোৰ কটকটীয়া হৈ থাকে। আমাৰ জীৱনটো দুদিনীয়া, এই দুদিনীয়া জীৱনত দৰ্প, অহংকাৰ কৰি কিবা লাভ হ'ব জানো? গতিকে সময় থাকোঁতেই আমি আমাৰ সম্বন্ধ বোৰ জীয়াই ৰাখিব পাৰিলে ভাল। আৰু এটা কথা খুবেই প্ৰয়োজন সম্বন্ধবোৰ কেতিয়াও টকা পইচাৰে জুখিব নাপায়। সম্বন্ধ এটা জীয়াই ৰাখিবলৈ সদায় এটা শুদ্ধ মন আৰু আন্তৰিকতাৰহে প্ৰয়োজন।

# গুৱাহাটীৰ কৃত্ৰিম

সকলৰ Skill ক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাওক। গুৱাহাটী বানপানীৰ সমস্যাটোৰ উপৰোক্ত সমাধানটি অতি ব্যয়বহুল। ৰাইজৰ কৰ কাটল বা চৰকাৰৰ ৰেভিনিউৰে সম্ভৱ নহয়। বিশ্ব বেংক, এছিয়ান ডেভেলপমেন্ট বেংক অথবা কেন্দ্ৰীয় চৰকাৰৰ পুজিৰ সহযোগত এই দীৰ্ঘম্যাদী সমস্যাটি চিৰদিনলৈ সমাধান হ'ব বুলি ভাবো।

বিঃদ্ৰঃ উপৰোক্ত অঞ্চলৰ বাহিৰে গুৱাহাটীৰ তেনেকুৱা বহু অঞ্চল আছে, সংক্ষেপতে উল্লেখ কৰা সম্ভৱ নহয়। আন সদাশয় ব্যক্তিয়ে উল্লেখ কৰিলে আমিও নজনা কথাৰ সম্ভেদ পাম। এই জটিল সমস্যাটোক বৰ্তমান সময়ত কোনেও ৰাজনৈতিক দৃষ্টি কোণেৰে চোৱা উচিত নহয়। অতীতৰ ভুল খুচৰি থাকিলে বৰ্তমানৰ সমস্যাৰ সমাধান নহয়।।

ENGLISH NEWS SECTION

# Assam readies to appoint 30,000 government employees



Guwahati, RB News: Nearly 30,000 Grade III and IV posts for different departments under Assam government will be filed up in the next few days. Over 14 lakh candidates are expected to appear for the recruitment examinations scheduled for 21, 28 August and 11 September next.State chief minister Himanta Biswa Sarma held a virtual meeting with the district magistrates and other stakeholders on Wednesday and directed the deputy commissioners to scrupulously adhere to the standard operation procedures in letter & spirit for maintaining a fool proof mechanism for recruiting the competent youth transparently. Meanwhile, State information and public relations minister Pijush Hazarika appealed for cooperation from the people in the recruitment drive. Mentioning about the probable anti-CAA protest demonstrations in the coming days, Hazarika urged all concerned not to create any unwanted situation in the name of agitation. We may have differences in terms of our ideology, but one should not create restless environment during one of the largest recruitment drives of the government, keeping the job aspirants as the hostages, said Hazarika in a press briefing, adding that in 2019 the anti citizenship amendment act protesters misled the common people with twisted facts and statements.Some miscreants even damaged many government and private properties in the name of protests. Those antisocial elements even did not spare the Shankardev Kalakshetra complex in the city. Hazarika asserted that the conscious people across the State understood the reality and hence the electorates gave an impressive mandate to the BJP led government in Dispur.

# Assam Governor visits Jawahar Navodaya Vidyalaya Banekuchi Nalbari



Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi said that Jawahar Navodaya Vidyalayas are playing a staler role in providing good quality modern education along with generating awareness of the environment and giving unprecedented physical education to the students belonging to rural areas irrespective of their socio-economic condition. Visiting Jawahar Navodaya Vidyalaya of Banekuchi in Nalbari district, Governor Prof. Mukhi said that the school is primarily responsible in effecting academic empowerment of the students including helping them to imbibe a strong component of culture, values and love for the nature. Prof.Mukhi said, "I am really delighted to have visited and spent some time with the students and teachers of Jawahar Navodaya Vidyalaya in Nalbari today. Interacting with the students, I am convinced that the students are going to be the real treasure and prospective heirs of the nation which has just completed the 75 years of its independence. I, therefore, call upon the teachers and request them to help their students to inculcate the virtues of discipline, diligence and dedication." He also asked the teachers to train the students to develop good moral character and most importantly the feeling of 'Nation First'." Terming the students of the school as the real treasure of the country, the Governor said that the future of the country depends on its students. If the energy of the students is directed to constructive purposes, the whole country will reap rich dividends of it. Education in the real sense means overall development of a student which also includes love for his nation. He also said that every Indian has immense responsibility towards the nation and urged upon the teachers to inspire the students to realize their dream conforming with the national interest of the great nation. Interacting with the teachers, Governor Prof. Mukhi said that they can get job satisfaction only when they give their best efforts in giving meaningful education to the students. Deputy Commissioner Nalbari Gitimoni Phukan, Superintendent of Police Nalbari Pabindra Kumar Nath, DC of Jawahar Navoday Samity Shillong Region K.V.Suresh, Principal of Jawahar Navodaya Vidyalaya Banekuchi Ajit Kumar along with the teachers, staff and students were present during the Governor's visit to the school.

# ASACS, ASBTC celebrate Azadi Ka Amrit Mahotsav



Guwahati, RB News: Along with the rest of the country, Assam State AIDS Control Society (ASACS); Assam State Blood Transfusion Council (ASBTC) celebrated 76 th Independence Day on August 15, 2022 with all patriotic fervour and gaiety. The day began with the flag hoisting ceremony by Project Director ASACS Director ASBTC Pomi Baruah, ACS , in presence of a host of officials from ASACS and health department. Speaking on the occasion after hoisting the tricolour at the premises of ASACS, Pomi Baruah said, "We are celebrating the completion of 75 years of India's Independence as Azadi Ka Amrit Mahotsav and I feel honoured to be a part of this grand celebration of Azadi Ka Amrit Mahotsav. This is a great occasion for us to continue our journey of progress with more vigour and dedication. Let us all make ourselves relevant to the society. Let us all work harder and move ahead to achieve our goals. Prior to the days before the run up to the Independence Day 2022, the national tri colour was also distributed by Project Director ASACS to the various officials of ASACS &ASBTC so that they can hoist same at their respective homes under Har Ghar Tiranga programme. In the run up to the 76 th Independence Day celebration, voluntary blood donation camps were organized successfully in different districts across the state. In Kamrup (M) district and in greater Guwahati areas a total of 771 units of blood were collected since August 5, 2022 out of which a significant contribution is from the armed forces. SSB Howly and SSB Sonapur donated 150 units of blood.

# The political journey of Sarbananda Sonowal is an ideal for all the people of North-East

Guwahati, RB News: State BJP President Bhabesh Kalita congratulate Sarbananda Sonowal, proud son of North-East for being appointed in the Parliamentary Board and thanked J. P. Nadda along with Prime Minister Narendra Modi for the appointment. In a press release from the State Head office the state BJP president mention that by including Shri."On behalf of all the members of the BJP the State President forwards best wishes and warm regards to Shri. Sarbananda Sonowal for being the first person from North-East to be included in the central Parliamentary Board. The State BJP president mention that Shri. Sonowal right from his student days was very much involved in social work and in working towards the Upliftment of the society and accordingly achieved great success in his political career and is an asset for the whole of North-East. The State BJP President also congratulates and forwards his best wishes all the other dignitaries who were included in the Parliamentary Board.

E-mail us-
rongilibartamedhi@gmail.com


Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৪ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 21 August, 2022

## Cutie of the Week



অৰ্হণ বৰুৱা




Beauty of the Week Art of the Week আৰু Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail- rongilibartamedhi@gmail.com
Whatsapp - 9854215286

WELCOME TO THE BETTER WORLD OF EDUCATION

HOME TUITION AVAILABLE ON DEMAND **

ADMISSION GOING ON

Since 2014

BPL STUDENTS WILL GET DISCOUNT **

EDUCATION IS OUR RELIGION

ADVANCE GURUKUL COACHING

In Association with

RONGILI BARTA

(An Assamese Weekly NEWS Paper)
(RNI No. 53883/94)
Approved by Govt. of Assam

Streams:- Science, Commerce and Arts
Accountancy, Business Studies, Banking/Finance..
Economics, Political Science, Education..
Physics, Chemistry, Mathematics and Computer Science..
(All Major and General Course also Available)

Contact Us: +91 86837-32821, +91 98542-15286 Email: agcghy534@gmail.com

Address- Bharalumukh, opposite- YAMAHA Show room, Above- Professional Salon

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286